এই বিধানসভালৈ এইবাৰ নিৰ্ব্বাচিত হৈ এটা নতুন দায়িত্ব চৰকাৰী পক্ষ আৰু বিৰোধী পক্ষৰপৰা পাইছো মই ভাবো সেই দায়িত্ব, মোৰ দৃষ্টিভঙ্গীৰে গণতান্ত্ৰিক সমাজবাদ ৰচনা কৰা আৰু সংসদী ৰাজনীতিত যিখিনি অৰিহণা যোগাব লাগে সেই অৰিহণা যোগোৱাত আপোনালোক সকলোৱে সহায় কৰিব।

শেষত, আকৌ, মোক এই মহান দায়িত্ব অৰ্পন কৰি যি মৰম আৰু স্নেহ দেখুৱাইছে তাৰ কাৰণে মই আপোনালোকক কৃতজ্ঞতা জ্ঞাপন কৰিলো। জয়হিন্দ।

## Statement by the Minister, Education, on action taken on the memorandum submitted by the Aided College Teachers Association

Shri Bejoy Krishna Handique : Will the Education Minister be pleased as to what action he has taken on the memorandum submitted by the Aided College Teachers Association yesterday ?

Shri Harendra Nath Talukdar Minister, Education. : The Chief Minister and the Education Minister met a delegation of the Assam College Teachers Association on 5.4.72 and had discussion with them regarding the problems of

aided Colleges. During the discussion the following agreed decisions were taken :

(1) The Chief Minister outlined his scheme for the new type of organisation of education in terms of effective employment policy.

(2) An Educational Advisory Committee as suggested by the Education Conference held in June 1971 would be formed at the earliest.

(3) The whole matter regarding the extension of deficit grants to the existing non-deficit affiliated Degree College and non-deficit sections of Deficit Colleges will be re-examined and the policy will be declared before the next Budget Session of the Assembly in may 1972.

(4) The matter of starting new Colleges was also discussed and it was the agreed view that no new Colleges should be started until the new educational policy is formulated.

(5) Rules of management of Colleges and the Service Conditions and leave rules for teachers of Aided Colleges will be re-examined in the light of the recommendations of the Educational Conference of June, 1971, the Kothari Commission and the Gajendragadkar Committee and the new rules in this respect will be framed within six months from now as far as practicable.

(6) The Chief Minister informed the Aided College Teachers Association delegation that the employees of the Aided Colleges have been included for all pra-

ctical purposes in the terms of reference of the Pay Commission.

(7) The Dibrugarh and the Gauhati University Acts will be amended in the light of the Suggestions of the Gajendragadkar Committee, Education Conference, and the Kothari Commission to provide adequate representation of affiliated College teachers in the different bodies of the Universities.

(8) Regular pay scale for the Fourth Grade employees will be provided. For this purpose the strength of Grade IV employees will be fixed according to a yardstick to be prescribed.

This is for information of the House.

## Complaint of breach of privilege against the minister, education for giving in correct information.

Shri Dulal Chandra Barua : Sir, I want to raise a serious matter. Sir, under Rule 158 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly I want to bring to your notice the fact that the hon. Minister, Education, his Secretary and the D. P. I. have committed a breach of privilege of the House. The breach has been committed in the actual view of the House and therefore the House may take action without complaint. Sir, the breach was committed intentionally yesterday. Sir, by the statement given by the Education Minister yesterday to my calling attention notice in respect of the

Sankardev College affairs he has misled the House by giving incorrect, and it will not be unparliamentary if I say a false statement. The statement which is with me has clearly said that there is no anomalies found from the audit report and everything has been regularised. Sir, I have no ill will against the Minister concerned.

Mr. Speaker : Rule 158 says—"A member wishing to make a complaint of a breach of privilege shall give notice in writing to the Secretary before the commencement of the sitting on the day on which it is proposed to be made ......"

Shri Dulal Chandra Barua : That is why I have referred to Rule 158. The proviso says - "Provided that if the breach is committed in actual view of the House, the House may take action without complaint." That is why I have brought it to-day. The breach was committed in the actual view of the House.

Mr. Speaker : Yesterday the statement was made and therefore you give notice.

Shri Dulal Chandra Barua : It is up to you. I am ready to give notice.

Mr. Speaker : You give notice to-day and it will be taken up tomorrow.

Shri Dulal Chandra Barua : All right, Sir.

## Debate on the Governor's Addres

Mr. Speaker : To-day we have got as many as 34 Speakers

from both sides to take part in the Governor's address. Therefore, I think, if every Hon'ble member takes only 7 minutes when he or she speaks, it will be possible to give all the Speakers chance to speak.

Shrimati Anandi Bala Rava : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষনৰ ওপৰত মাননীয় সদস্য শ্ৰীলীলাকান্ত বৰা ডাঙৰীয়াই যি ধন্যবাদ জ্ঞাপক প্ৰস্তাৱ তুলিছে তাক সমৰ্থন কৰি দুটা মান কথা কব খুজিছো।

ৰাজ্যপালৰ ভাষনত উল্লেখ কৰিছে আমাৰ নিচেই গাতে থকা নগালেণ্ড যাৰ লগত আমাৰ তেজ মঙহৰ সম্পৰ্ক আছে তেওলোকৰ লগত হোৱা সীমা বিবাদে আমাৰ অৱস্থা শোচনীয় কৰিছে। মই চৰকাৰক জনাব খুজিছো এই সীমা বিবাদ বহুত দিনৰ পৰাই চলি আছে আৰু এই সীমা বিবাদৰ মীমাংসাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে K. V. Sundaram ক উপদেষ্টা নিয়োগ কৰিছে। আমি আশা কৰিছো যাতে ইয়াতেই আমাৰ চৰকাৰ সন্তুষ্ট নাথাকি কোনোধৰণৰ অসমৰ ক্ষতি সাধন নোহোৱাকৈ ইয়াৰ মীমাংসা নিশ্চয় আগতীয়াকৈ কৰিব। ইয়াৰ লগতে অসমৰ বুকুৰ পৰা যি কেইখন মান সৰু সৰু ৰাজ্যৰ সৃষ্টি হল যেনে মেঘালয় পূৰ্ণাঙ্গ ৰাজ্য হল। মিজোৰাম, অৰুনাচল কেন্দ্ৰীয় শাসিত অঞ্চল হিচাবে অভিহিত হৈছে, এই ৰাজ্য কেইখনৰ প্ৰতি আমাৰ সদায়ে সদিচ্ছা আছে আৰু থাকিব। কিন্তু মই চৰকাৰৰ তীক্ষ্ণ দৃষ্টি আৰ্কষণ কৰিছো যাতে মেঘালয় অৰুনাচল মিজোৰাম আদিৰ লগতো যাতে সীমা বিবাদ নহয় তাৰ কাৰণে আগতীয়াকৈ ব্যৱস্থা এতিয়াই লবলৈ চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিলো।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত আমাৰ ৰাজ্যত শিক্ষা ব্যৱস্থা বিশেষ উন্নতি হৈছে বুলি উনুকিয়াইছে। অসমৰ গাৱে ভূৱে প্ৰায় সকলোতে বিনামূলীয়া প্ৰাথমিক শিক্ষাৰ প্ৰচলন হোৱাত সন্তোষ পাইছো কিন্তু প্ৰাথমিক স্কুল সমূহৰ ঘৰ আৰু সা-সৰঞ্জামৰ ক্ষেত্ৰত চৰকাৰে বিশেষ ভাৱে লক্ষ্য কৰিবলৈ অনুৰোধ জনালো। গাৱে ভূৱে বহুত হাইস্কুল গঢ়ি উঠিছে। এই হাইস্কুল বিলাকৰ কিছুমান চৰকাৰে চলাই, কিছুমানক deficit system ত চলাইছে আৰু কিছুমানক Adhoc হিচাপে চলাই আছে। এই বিভিন্ন স্কুল সমূহৰ শিক্ষকৰ দৰমহা হাড় বেলেগ বেলেগ

Adhoc ৰ বেলেগ, deficit ৰ বেলেগ আৰু venture ৰ বেলেগ। শিক্ষকৰ মাজত দৰমহাৰ এনে বৈষম্যতা থকা উচিত নহয়। আমি সদায় (disparily) বৈষম্যতা দূৰীকৰণৰ কথা কওঁ কিন্তু শিক্ষা ক্ষেত্ৰতে চৰকাৰেই তেনে বৈষমতা ৰখাতো জানো উচিত হৈছে ? Adhoc বা venture স্কুল সমূহৰ শিক্ষক নিৰ্ব্বাচন আদিৰ ক্ষেত্ৰত মেনেজিং কমিটিৰ ইমান বেচি প্ৰভাৱ যে শিক্ষক সকলে সদায়ে এই কমিটিৰ ওপৰত নিৰ্ভয় কৰি চলিব লাগে, তাৰ বাহিৰে তেওঁলোকৰ কোনো নিৰাপত্তা নাই। আমাৰ চৰকাৰে আজি বৈষম্য দূৰীকৰনৰ কথা কৈছে কিন্তু মই ভাৱো এই ব্যৱস্থা যদি স্কুল কলেজত চলি থাকে তেনেহলে বৈষম্য দূৰ নহব বৰং বৈষম্য বাঢ়িবহে। মই চৰকাৰক টানি অনুৰোধ কৰো যে অন্তত: হাইস্কুল বিলাকত বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে জনজাতীয় আৰু অনুসূচীত জনজাতীয় ছাত্ৰ-ছাত্ৰী সকলে বিনামূলীয়া শিক্ষা পাইছে আৰু তাৰ কাৰণে চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু অসমৰ গাওঁ ভুৱে যি বিলাক অন্যান্য সম্প্ৰদায়ৰ লোক আছে, বিশেষকৈ গোৱালপাৰা জিলা থনৰ গাৰুৰ ৰাইজ ধনী নহয় তেওঁলোক জনজাতীয় লোকতকৈ—গতিকে অন্ততঃ হাইস্কুল পৰ্য্যায়লৈ চৰকাৰে বিনা মূলীয়া শিক্ষাৰ ব্যৱস্থা কৰিলে কিছু নহয় কিছু ৰাইজৰ উপকাৰ হব। আনহাতে শিক্ষাৰ ক্ষেত্ৰত হাইস্কুল পৰ্য্যায়ত ; কাৰীকৰী শিক্ষা, বোৱা কতা নাচিং আদিৰ শিক্ষা দিয়াৰ ব্যৱস্থা যদি কৰে, তেনেহলে ছাত্ৰ ছাত্ৰীৰ বিশেষ উপকাৰত আহিব, চাকৰি আদি নকৰি যি সকল ছাত্ৰ বা ছত্ৰীয়ে ঘৰ-সংসাৰ কৰি চলাব তেনেসকলৰ এই শিক্ষা যথেষ্ট সহায়ক হব। বজাৰৰ উপৰিও সাংসাৰিক জীৱনত বহুতো সহায় সহযোগ পাব আৰু নিজৰ যথেষ্ট উপকাৰ হব।

অধ্যক্ষ মহোদয়, ভাৰতীয় জাতীয় কংগ্ৰেছ দলে নিৰ্ব্বাচনৰ আগমূহুৰ্ত্তত কিছুমান নীতি গ্ৰহণ কৰিছিল। যেনে গৰীবি হতাও, ধৰ্ম্ম নিৰপেক্ষতা সমাজবাদ, বৈষম্য দূৰীকৰন ইত্যাদি। কিন্তু চৰকাৰ যদি এই বিষয়ত এতিয়া অধিক তৎপৰ নহয় তেনেহলে আমি কোৱা কথাখিনি 'গালো বালো সকলো খোলা কুটিৰ তাল' হব। সৰ্ব্বসাধাৰণৰ কিছু নহব।

আমাৰ অসমত সৰহ ভাগ খেতিয়কে খেতিৰ ওপৰতে জীৱিকা নিৰ্ব্বাহ কৰিব লাগে। কিন্তু বৰ্ত্তমান অৱস্থাত খেতিয়ক সকল মাটিহীন, উৎকৃষ্ট সঁচ উৎকৃষ্ট সা-সৰনজাম, সাৰ আদি সময়মতে যোগান ধৰিব নোৱাৰাত দিনক

দিনে এওঁলোক গৰীব হৈ গৈ আছে। গতিকে এই ক্ষেত্ৰত আমাৰ চৰকাৰ তৎপৰ নহলে কৃষক সকলৰ মানদণ্ড কেতিয়াও উন্নত হব নোৱাৰে। আন–হাতে পানীযোগান ব্যৱস্থা নোহোৱাৰ ফলত কৃষিৰ উন্নতি হোৱা নাই। যিহেতু খেতিয়ক সকলে প্ৰকৃতিৰ ওপৰত খেতিৰ পাণীৰ বাবে নিৰ্ভৰ কৰিব লাগে। যদি চৰকাৰে খেতিৰ পথাৰত ভালদৰে পানী যোগানৰ ব্যৱস্থা কৰে তেনেহলে তাকৰীয়া মাটিত সৰহ শষ্য উৎপাদন আচনি ফলৱতী হব পাৰিব।

(সময়ৰ সংকেত)

তাৰ পিচত কেন্দ্ৰীয় ৰেল মন্ত্ৰীৰ বাজেটৰ ভাষণত শুনিছিলো যে কেই-খনমান ৰাজ্যৰ মিটাৰ গজ লাইনৰ পৰিবৰ্ত্তে ব্ৰডগজ লাইনত পৰিণত কৰিব। আৰু কিছুমান নতুনকৈ ব্ৰডগজ লাইন কৰিব কিন্তু অসমৰ বেলিকা ই হৈ নুঠিল। আজি এই ক্ষেত্ৰত সদনৰ মাননীয় সদস্যসকল একমত হব যে ব্ৰহ্মপুত্ৰৰ ওপৰত এখন কিয়, প্ৰয়োজন অনুসাৰে ২/৩ খন দলং হব লাগে। গোৱালপাৰাৰ নিচিনা পিচপৰা জিলাখনক ব্ৰহ্মপুত্ৰই মাজেদি দুভাগ কৰি ৰাখিছে তাত অৰ্থাৎ যোগী-ঘোপা পঞ্চৰত্নত এতিয়ালৈকে দলং দিয়াৰ ব্যৱস্থা নহ'ল। ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয় দলং ন'হল। যোগীঘোপাৰ পৰা গুৱাহাটীলৈ ব্ৰডগজ লাইন সম্প্ৰসাৰণ নহল। এই সদনতে চৰকাৰে সৰ্ব্বসন্মতি ক্ৰমে যোগীঘোপা আৰু পঞ্চৰত্নৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং আৰু যোগীঘোপাৰ পৰা গাৰোহিলচ চুই যোৱাকৈ গুৱাহাটীলৈ ব্ৰড-গজ ৰেলৰে লাইন হব লাগে" বুলি এটা প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে। মই ভাৱিছো এই সদনৰ মাননীয় সদস্য সকল মোৰ লগত একমত হব। কাৰণ এই কথাটো সকলোৰে অন্তৰত লাগিছে কিয়নো ব্ৰহ্মপুত্ৰৰ দলং আৰু উল্লেখিত ব্ৰডগজ লাইন হোৱাটো সকলোৰে কামনা কৰে। উদোগীকৰণৰ ক্ষেত্ৰত মই কব খুজিছো যে আমাৰ দেশত কেন্দ্ৰীয় চৰকাৰে কেইটামান উদ্যোগ দিছে। কিন্তু এই উদ্যোগ বিলাকলৈ আমি সন্ধিহান হৈছো যে যদি এই উদ্যোগ বিলাক স্থাপন কৰাৰ নামত আটাইবোৰ কৰ্ম্মচাৰীকে অসমৰ বাহিৰৰ পৰা আনি সোমোৱাই তেনেহলে আমাৰ নিবনুৱা ডেকা সকলৰ দুখ কুলাই পাচিয়ে নধৰা হব। আমাৰ দেশৰ লোকসকল নিজৰ দেশতে ভগনীয়া হব লাগিব। গতিকে অন্ততঃ আমাৰ শতকৰা ৭০/৮০ ভাগ ডেকাক নিয়োগ কৰিবৰ কাৰণে ব্যৱস্থা চৰকাৰে কৰিবলৈ দৃষ্টি আকৰ্ষণ কৰিলো।

তাৰ পিচত মই গাৰোভাই সকলৰ বিষয়ে দুষাৰ কব বিচাৰিছো। এতিয়া মেঘালয় পূৰ্ণ ৰাজ্য হ'ল; কিন্তু আমাৰ দেশত এতিয়াও যিবিলাক গাৰোভাই আছে তেওঁলোকো আমাৰ অন্যান্য জনজাতিৰ দৰে পিচপৰা। গতিকে আমাৰ দেশত থকা খিলঞ্জীয়া গাৰো ভাইসকলক আমাৰ দেশৰ জনজাতি হিচাবে অভিহিত কৰিব লাগে। এই বিষয়ত প্ৰয়োজন হলে সংবিধান সংশোধন কৰিব লাগে।

তাৰ পিচত 'গৰীবি হাতাত্তৰ' ক্ষেত্ৰত বহুতো কাম কৰিব লগা আছে। জাগীৰোডৰ স্পান মিলৰ এৰী, মুগা, পাট আদিৰ ককোন পৰা মূল্যবান স্মৃতা কটাৰ পাচত যিখিনি ককোনৰ অন্যাৰশ্যকীয় বস্তু থাকে, সেই বিলাকৰ পৰা টেৰী, মূগা, টেৰী পাট, টেৰী এৰি আদি সূতা তৈয়াৰ কৰিছে। এই বিলাক সূতা অসমৰ বোৱনী বা মহিলা সকলে পোৱা নাই। কিন্তু তাকে নকৰি এই বস্তুবিলাক বম্বে আদি ঠাইলৈ পঠিয়াই দিয়া হয় লগতে অসমৰ তাতশিল্পৰ ডিজাইন বোৰো পঠাই দি সেইবোৰ অসমৰ বাহিৰৰ মিলত তৈয়াৰ কৰা হয়। দুখৰ বিষয় বাহিৰলৈ নপঠাই আমাৰ ইয়াতে পুনৰ কিনিব লগা হয়। এই সূতা বিলাক অসমৰ আমাৰ আইসকলক বোৱনীসকলক অসমৰ ভিতৰতে বেচাৰ বা দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে অসমীয়া তিৰোতাই কিছু উপকৃত হয়। প্ৰয়োজন হলে আমাৰ ৰাজ্যৰ বোৱনী সকলক বাহিৰত ট্ৰেইনিং দি ৰাজ্যৰ ভিতৰতে উৎপাদন কৰি বাহিৰৰ বজাৰত বিকাৰ ব্যৱস্থা কৰিব লাগে। এই উৎপন্ন কৰা বস্তু বিলাক বিদেশলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহলেহে এই সূতাৰ মিলবিলাক বিশেষ ভাৱে আমাৰ উপকাৰত আহিব।

কুটিৰ শিল্পৰ বিষয়ত মোৰ কিছু কব লগা আছে। আমাৰ গাৱে-গাৱে মহিলা সমিতি বিলাক হৈছে। আজি আমাৰ যুবক-যুৱতি সকলৰ মাজত এটা জাগৰণৰ সৃষ্টি হৈছে। যদি এই কুটিৰ শিল্প বিলাক ঠন ধৰি উঠিবৰ কাৰণে অধিক ঋণ দিয়াৰ ব্যৱস্থা কৰে তেন্তে আমাৰ এই কুটিৰ শিল্পৰ উন্নতিৰ লগতে আমাৰ আৰ্থিক অৱস্থাৰো উন্নতি হব। আমাৰ গাৱে-ভুঞে ৰাস্তাঘাট আৰু জন স্বাস্থ্যৰ সমস্যা আছে। আজি আমাৰ নগৰত বেছি শিক্ষিত লোক থাকে। গতিকে তেওঁলোকৰ তাগিদাত **P.W.D.** মিউনিচিপেলেটি আদিয়ে যথেষ্ট কাম কৰে আৰু তেওঁলোকে সুবিধা পায়। কিন্তু গাৱৰ মানুহে সেই সুবিধা নাপায়।

ভোটৰ সময়ত যাওতে আমি এই সমস্যা বিলাক বেছিকৈ সন্মুখীন হব লগা হয়। এইবিলাকৰ যাতে এটা ভাল ব্যৱস্থা কৰা হয় তাৰ প্ৰতি দৃষ্টি আকৰ্ষন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Pitsing Konwar : অধ্যক্ষ মহোদয়, ৰাজ্যপালে যিটো ভাষন দিছিল সেইতো মই পঢ়ি চাইছোঁ। কিন্তু তেখেতে এটা কথা উল্লেখ কৰা নাই—আমি যি সকল মানুহৰ ভোট পাই এই বিধান সভালৈ নিৰ্ব্বচিত হৈ আহিছোঁ— সেই সকল দুখীয়া কৃষকৰ তথা সেই সকল খেতিয়কৰ কৃষিৰ সম্প্ৰসাৰণৰ বিশেষ ব্যৱস্থা আছে বুলি ৰাজ্যপালৰ ভাষনত ভাবিব নোৱাৰিলোঁ।

অধ্যক্ষ মহোদয়, আপুনি চাওক আমাৰ কিছুমান মানুহৰ খেতি কৰিবৰ বাবে খেতিৰ মাটি একেবাৰে নাই ; সেই সকলক চৰকাৰে যদি মাটিয়েই দিব নোৱাৰে, তেন্তে উন্নত কৃষি প্ৰণালী কেনেকৈ চলিব ? তাৰ পাছত আমাৰ যিসকল শ্ৰমজীৱি লোক আছে, যিসকলে অত্যন্ত শ্ৰম কৰে, সেইসকল বহিবৰ কাৰণে কোনো মাটি নাই, বাৰী নাই, ফলত তেখেতসকল অকামিলাৰ দৰে হব ধৰিছে। গতিকে সেইসকল মানুহক কাম-কাজ দিবৰ বাবে চৰকাৰে মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি যিসকল লোকৰ খেতি কৰিবৰ বাবে অলপ-চলপ মাটি থাকে সেই সকলৰো খেতি কৰিবৰ বাবে গৰু ম'হ তথা খেতিৰ সজুলী কিনিবলৈ চৰকাৰে পয়ছা দিব পৰা নাই আৰু খেতিৰ সজুলীও যোগান ধৰিব পৰা নাই।

তাৰ পাছত চৰকাৰে কিছুমান Bank Nationalise কৰিছে ; কিন্তু সেই বিলাকৰ পৰা ৰাইজে যিটো পয়ছা পোৱাৰ ব্যৱস্থা আছে বুলি কাগজে-পত্ৰে দেখুৱাইছে, সেইটোক আমি কাৰ্য্যক্ষেত্ৰত দেখা নাই। তাৰোপৰি এই ব্যৱস্থাত ১০ মাইলৰ ভিতৰত নহলে বেঙ্কে টকা নিদিয়ে। গতিকে ১০ মাইলৰ ভিতৰত বেঙ্কৰ টকা লবলৈ হলে আমাৰ গোটেই গাৱঁলীয়া মানুহবোৰ আহি টাউনত আহি বসবাস কৰিব লাগিব। সেই কাৰণে এই বিষয়ে মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিছোঁ যে এই ব্যৱস্থাটো অদল বদল কৰি দিব লাগে।

তাৰ পাছত ৰাজ্যপালৰ এটা কথাত আমি বিশেষভাৱে দুখ পাইছোঁ ;

সেইটো হল কেৱল নলবাৰী, মঙ্গলদৈ আৰু গুৱাহাটীত হে অনাবৃষ্টি হৈছে বুলি কৈছে ; কিন্তু আমাৰ নগাৱঁত খৰাং বতৰ হোৱা বা অনাবৃষ্টি হোৱাৰ কথা উলেখ কৰা নাই। যোৱা বছৰ নগাৱঁত খৰাং বতৰ হোৱা নাই বুলি কোনেও কব নোৱাৰে। কাৰণ সেই সময়ত কেইবাগৰাকীও মন্ত্ৰী আৰু তেতিয়াৰ মুখ্যমন্ত্ৰীও নগাৱঁৰ খৰাং বতৰৰ অৱস্থা চাবলৈ গৈছিল আৰু তেখেত সকলে চাই আহি ৰাইজক আশ্বাস দিছিল যে খেতি সুচল কৰিবৰ বাবে পাইপ আদি দি পানী যোগানৰ ব্যৱস্থা দিয়া হব। কিন্তু খেতিৰ সময়ত দেখা গল যে কোনো ব্যৱস্থাকেই চৰকাৰে নকৰিলে। কোনো ব্যৱস্থা নকৰাৰ ফলত ৰাইজ আজি নিবনুৱাহৈ আছে। চৰকাৰৰ crash Programত ত ১০০ জন লোক আছিল ; কিন্তু ৩১ মাৰ্চ্চৰ পৰা তাকো নোহোৱা কৰিলে। গতিকে সেই মানুহ বিলাক পুনৰ নিয়োগ কৰিব লাগে। আন এটা বৰ দুখৰ কথা এই crash programe ত যি সকল লোকে কাম কৰিছিল সেই সকলক এনেধৰণে ব্যৱহাৰ কৰে যে ৰবিবাৰ দিনাও বন্ধ নিদিয়ে। আনকি যোৱা নিৰ্ব্বচনৰ দিনাও বন্ধ নিদি বৰঞ্চ তেওঁলোকৰ দৰ্ম্মহাহে কাটিছে। গতিকে এনেকৈয়ে যদি এই কৰ্মচাৰী সকলক সকলো ফালৰপৰা বঞ্চিত কৰে ; তেন্তে বৰ দুখৰ কথা হব।

আমাৰ চৰকাৰে কিছুমান ঠাইত জলসিঞ্চনৰ ব্যৱস্থা কৰিছে। যি ঠাইত এই জলসিঞ্চনৰ ব্যৱস্থা কৰিছে সেই ঠাইৰে কিছু উপকাৰ হৈছে। কিন্তু আজি দেখা গৈছে দেশৰ এটা বৃহত অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা হোৱা নাই। যি বিলাক ঠাইত মঠাউৰী আগৰেপৰা আছিল সেই বিলাক ঠাইতো আৱশ্যকীয় শ্লোইচ গেত আদি নথকাৰ কাৰণে সেই ঠাই বিলাকৰো একো উপকাৰ হোৱা নাই। বহুবিলাক ঠাইত আজিও মঠাউৰীৰ ব্যৱস্থা হোৱা নাই। আমাৰ মুখ্যমন্ত্ৰীয়ে কাগজে পত্ৰে যিবিলাক বিবৃত্তি দিছে "সেই বিলাক ফলেন পৰিচয়তে" দেখা গৈছে। আৰু "ধাদীয়ে কি পোৱালী পাই" সেইটো দেখিলেহে লিখিম"।

১৯৬৮ চনৰ ভুমি বিতৰণ নীতিৰ সম্পৰ্কত কি হিচাবে কমিটি পাতি দিছিল কব নোৱাৰো। কেৱল কিছুমান কৰ্ম্মচাৰীয়ে নিজে নিজে মাটি বিতৰণ কৰি বাছিৰা মানুহক মাটি দিছিল। আমাৰ মানুহক দিয়া নাছিল। নগাওঁ জিলাৰ কেইবাটাও মৌজাত মাটি পোৱা নাই। আৰু এই কমিটি বছৰত এবাৰ

কৈয়ো পতা নাই। নলধৰা অঞ্চলত চৰকাৰী বনাঞ্চলৰ মাটি আছে। সেই মাটি ইচ্ছা কৰিলে খেতিয়কক দিব পাৰে। কিন্তু তাত চৰাই পোহাৰ কাৰণে সেই মাটি নিদিয়ে।

শিক্ষাৰ সম্পৰ্কত মই এই কথাই কব খুজিছো যে প্ৰাইমাৰী শিক্ষকৰ কাৰণে যি ১২ শ পদ আনিলে, কিন্তু সেই বিলাকত শিক্ষকক মকৰল কৰা হোৱা নাই আৰু ২১ মাৰ্চ্চ তাৰিখৰ এখন টেলিগ্ৰামৰ দ্বাৰাই সেই কাম বিলাক পিচুৱাই ৰাখিছে। এই কাম বিলাকত মকৰল যোৱা জানুৱাৰীৰপৰা মাৰ্চৰ ভিতৰত হব লাগিছিল আৰু সেই মকৰল নোহোৱাৰ কাৰণে সেই টকা বিলাক চাৰেণ্ডাৰ হব। গতিকে এই টকা যাতে আকৌ দিয়া হয় তাৰ ব্যৱস্থা যেন চৰকাৰে কৰে। এই সম্পৰ্কতে মই আৰু এটা কথা কব খুজিছো যে কিছুমান এজনীয়া শিক্ষকৰ প্ৰাইমাৰী স্কুল আছে। এই শিক্ষক বিলাকে চিলঙলৈ আহি ১০/১৫ দিনকৈ হোটেলত থাকে উচ্চ কৰ্ম্মচাৰী বা মিনিষ্টাৰক দেখা কৰাৰ কাৰণে। এনে অৱস্থাত সেই স্কুল বিলাকৰ অৱস্থা কি হব? তাৰ পাচত যিবিলাক ডেফিচিত গ্ৰাণ্ট পোৱা স্কুল আছে সেই বিলাকৰ অৰ্থ মঞ্জুৰী পোৱা নাই। মৰিগাওঁ এটা নতুন মহকুমা হৈছে। তাত এখন হাইস্কুল আৰু এখন কলেজ আছে। এই দুখনৰো কোনো ব্যৱস্থা চৰকাৰে কৰা নাই।

ভৈয়ামৰ জনজাতীয় লোক সকলৰ উন্নতিৰ সম্পৰ্কত ৰাজ্যপালৰ ভাষনত মাত্ৰ ৪টা বাক্যহে লিখা আছে। ভাৰতীয় সংবিধানত এই লোকৰ সা-সুবিধাৰ কাৰণে যি কৰিব লাগিছিল সেই বিলাক এতিয়াও হোৱা নাই। আৰু যেনিবা সেই মানুহ বিলাকৰ কোনো অভাৱ অভিযোগ নাই। চৰকাৰৰ এই অবহেলাৰ কাৰণেই কোকৰাজাৰত প্লেইনচ ট্ৰাইবেল কাউন্সিল হল আৰু ইয়াৰ পৰাই আমাৰ শ্ৰীনাৰ্জাৰী ডাঙৰীয়াই কংগ্ৰেছ পাৰ্থীক হৰুৱাই নিৰ্ব্বাচিত হৈ আহিছে। মুখ্যমন্ত্ৰী ডাঙৰীয়া সেই ফালৰেই মানুহ। সেই কাৰণে এই বিলাক কথা তেখেতে ভালকৈ বুজি পায়। এই নিষ্পেষিত আৰু দুৰবস্থা পীৰিত জনজাতীয় লোক সকলৰ আন্দোলন উত্তৰ লক্ষীমপুৰ পৰ্য্যন্ত প্ৰসাৰিত হৈছে। তাৰ পৰা এইটোৱেই প্ৰমাণিত হয় যে এই মানুহ বিলাকক আজি স্বাধীনতাৰ ২৫ বছৰৰ পিচতো আৰ্থিক উন্নতিৰ কাৰণে কোনো ধৰণৰ আচনি চৰকাৰে হাতত লোৱা নাই। অনুসূচীত জাতিৰ লোকসকলৰো একেই অৱস্থা আৰু তেওঁলোকক ১০ বছৰ

১০ বছৰকৈ সংৰক্ষণ দিয়াৰ ব্যৱস্থা চলি আহিছে। এইদৰে আৰু কিমান দিন চলি থাকিব ? ভাৰতীয় সংবিধানৰ ২৭৫ ধাৰাৰ মতে যি টকা মঞ্জুৰী ধৰা হৈছে এই টকা হয়তো মাননীয় সদস্য সকলে ভাবিছে এইটো General grant ৰ টকা। সেই হিচাবে এই টকাটো সকলোৰে মাজত ভাগ কৰি দিব লাগে। কিন্তু প্ৰকৃততে সেইটো নহয়। মুখ্যমন্ত্ৰী ডাঙৰীয়া তেখেতো পিচপৰা সম্প্ৰদায়ৰ লোক আশা কৰো তেখেতে এইটো উপলব্ধি কৰিব আৰু পিচপৰা সম্প্ৰদায় লোক সকল জনজাতীয় লোকসকল আৰু অনুসূচীত জাতিৰ লোকসকলে যেন সকলো সা-সুবিধা পায়।

তাৰ পাচত ভুমিৰ বন্ধবস্তিৰ ক্ষেত্ৰত জনজাতীয় লোকসকলে উপযুক্ত সা সুবিধা পোৱা নাই। চৰকাৰৰ যিটো Tribal Balt ৰ ব্যৱস্থা সেইটো কাগজে পত্ৰে আছে। মঙ্গলদৈত আগৰ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্ম্মা ডাঙৰীয়াই Tribal Balt ভাঙি তাৰ মাটি অন্য মানুহক দিলে। অথচ এই জনজাতীয় লোক-সকলক মাটি সংৰক্ষণ নকৰিলে। আইন ভঙ্গ কৰি এই লোকৰ সংৰক্ষিত ব্যৱস্থা ভঙ্গ কৰি অন্য মানুহক দিলে। গুৱাহাটীৰ Tribal Balt ভাঙি দিয়াৰ পাচত মন্ত্ৰী সভাই এটা সিধান্ত লৈছিল যে গুৱাহাটী চহৰত scheduled caste আৰু scheduled Tribal ৰ মানুহক মাটি দিয়া হব। এই সিদ্ধান্তটো কৰা হৈছিল ১৯৬৮ চনৰ ১৮ ডিচেম্বৰ তাৰিখে। কিন্তু দুখৰ কথা এই সিদ্ধান্ত মন্ত্ৰী সভাত থকা স্বত্বেও কোনো Schedule caste বা Schedule Tribals মানুহক মাটি দিয়া নাই। তেওঁলোকে খেতি পথাৰৰ কাৰণে মাটি বিচৰা নাই, মাত্ৰ থাকিবৰ কাৰণে, এটা ঘৰ সাজিবৰ কাৰণেহে মাটি বিচাৰিছে। আশা কৰো এই বিষয়তে মুখ্যমন্ত্ৰী মহোদয়ে চকু দিব।

আমাৰ A. P. S. C. কমিশ্যনত এজন Tribal ৰ পৰা মেম্বাৰ লব লাগে বুলি আজি বহুত দিনৰ পৰা কৈ অহা হৈছে। এই সময় খিনিৰ ভিতৰতে কেইবা জনো মেম্বাৰ আহিল আৰু গল। কিন্তু কোনো এজন Tribal মেম্বাৰ লোৱা নহল। আগৰ মুখ্য মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী ডাঙৰীয়াও Tribal ৰ পৰা এজন মেম্বাৰ লোৱা হব বুলি কৈছিল কিন্তু কাৰ্য্যত পৰিণত নহল। সেইকাৰনেই আমাৰ মানুহৰ মনত এটা অসন্তুষ্টিৰ ভাবে দেখা দিছে। তেওঁলোকে ভাবিছে যে আমাৰ মানুহ এই কমিশ্যনত নথকাৰ কাৰণেই আমাৰ লৰা

বিলাক পাব লগা সা-সুবিধাৰ পৰা বঞ্চিত হৈছে। Tribal ৰ পৰা এজন মন্ত্ৰী লবলৈ মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰিলো।

ৰাজ্যপালৰ ভাষণত নতুন জিলা আৰু নতুন মহকুমাৰ কথা উল্লেখ কৰিছে। কিন্তু প্ৰশাসনীক সা-সবিধাৰ কথা উল্লেখ কৰা নাই। মৰিগাৱত এটা নতুন মহকুমা হৈছে কিন্তু তাত প্ৰশাসনীক সা-সুবিধা হলে একো হোৱা নাই। তাৰ বেচিক Training ত কাম কৰা মানুহ বিলাকৰ কাম কাজ একো নাই। কিন্তু এনেয়ে দৰ্ম্মহা খাই আছে। আমাৰ চামগুৰীত এখন Boys আৰু ৰহাত এখন Girls Basic Training School আছে।

ইয়াৰ বাহিৰেও নগাওঁত কাগজ কল হব বুলি ৰাজ্যপালৰ ভাষনত কোৱা হৈছে। মাত্ৰ কাগজৰ কল স্থাপন কৰিবৰ বাবে এতিয়াও ঠাই নিৰ্ণয় কৰিব পৰা নাই। তিনিটা Estimate কমিটিয়ে ঠাই নিৰ্ণয় কৰিব বুলি কেন্দ্ৰীয় চৰকাৰে পঠিয়াইছে। তেওঁলোকে ইফালে সিফালে ঘুৰি ফুৰিছে কিন্তু এতিয়াও ঠাই নিদ্ধাৰণ কৰিব পৰা নাই।

আমি বিজুলী শক্তিৰ ক্ষেত্ৰতো দেখিছো যত যত বিজুলী শক্তিৰ আৱশ্যক তাত বিজুলী শক্তিৰ যোগান ধৰা নাই। আজি খেতিৰ সম্প্ৰসাৰণৰ বাবে বিজুলী শক্তি লাগে। সৰু-সুৰা উদ্যোগ স্থাপন কৰিবৰ বাবেও বিজুলী শক্তিৰ আৱশ্যক। গতিকে এইবিলাকত যাতে বিজুলী শক্তিৰ যোগান ধৰে তাৰ বাবে অনুৰোধ কৰিলো। তাৰ পাছত চৰকাৰে পুষ্টিকৰ আচঁনিৰ কথাও কৈছে। এই আচঁনিৰ অন্তৰ্গত প্ৰায় ৩২ টা কেন্দ্ৰ স্থাপন কৰিছে। আমি প্ৰায় গাওঁৰ সকলো ঠাইতে জুই, জোৰ আৰু টচ লাইট আদি লৈ ঘুৰি ফুৰো, কিন্তু কতো কেন্দ্ৰ দেখা পোৱা নাই। সেই কেন্দ্ৰবিলাক কত পাতিছে আৰু সেই পুষ্টিকৰ আহাৰ কত কোনে খাইছে তাৰ কোনো খবৰ নাই। বোধকৰো ঠিকাদাৰ সকলেই খাইছে।

নিৰ্ব্বাচনৰ সময়ত জাতীয় সংহতিৰ কথা কোৱা হৈছে। আজি দেখা গৈছে জাতীয় সংহতি ৰক্ষা কৰিব পাৰিছেনে নাই। আজি যি Inrigration Committee কৰিছে তাত চেয়াৰমেন আছে মন্ত্ৰী আছে, কিন্তু এই কমিটিৰ কাম কি? আমি গান্ধীজয়ন্তীৰ দিনা শপত খাও কিন্তু কামত কি কৰো। আজি দেখা গৈছে সকলোৱে দুৰ্নীতি কৰে। কিন্ত আমি এই দুৰ্নীতি

বন্ধ কৰিব লাগিব। জনসাধাৰণৰ উন্নতিৰ বাবে, অসমৰ ৰাইজৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে চকু দিব লাগিব। গতিকে ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

চৈয়দা আনোৱাৰা টাইমূৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত মই কেইষাৰমান কথা কবলৈ বিচাৰিছো। শিক্ষাৰ ক্ষেত্ৰত আমাৰ সদস্য বৰ্গই কৈছে আমাৰ প্ৰাথমিক স্কুল বিলাকৰ অৱস্থা অতি শোকলগা, ৰাজ্যপালৰ ভাষণত কৈছে যে, শিক্ষাৰ মান উন্নত কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰোপৰি শিক্ষাৰ পৰিসৰ বৃদ্ধি কৰিবৰ বাবে যথেষ্ট চেষ্টা কৰা হৈছে। এতিয়া দেখা যায় বিশ্ববিদ্যালয় আৰু কলেজৰ ঘৰবোৰ চিকচিকিয়াকৈ সজোৱা হৈছে আৰু আমাৰ ভবিষ্যত বংশধৰ সকলে জৰাজীৰ্ন প্ৰাইমেৰী স্কুল ঘৰবোৰত শিক্ষা আৰম্ভ কৰিব লাগে। এইটো অত্যন্ত দুখৰ কথা। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰো যাতে আমাৰ গাৱেঁ ভূঞে থকা প্ৰাথমিক স্কুল বিলাকৰ অৱস্থা উন্নত কৰিবলৈ Building grant বেছিকৈ দি ঘৰবোৰ উন্নত কৰিব লাগে।

আজি আমাৰ দেশত নিবনুৱা সমস্যাই এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। এই সমস্যাৰ সমাধান আমি কৰিব পৰা নাই। গতিকে আমি পৰিকল্পনা কৰোতেই নিবনুৱা সমস্যা যাতে সমাধান হয় তাৰ প্ৰতি দৃষ্টি ৰাখি পৰিকল্পনা কৰিব লাগে। আজি শিক্ষিত নিবনুৱাৰ সংখ্যাও দিনে দিনে বাঢ়ি আহিছে। Man Power অৰ পৰিকল্পনা নোহোৱাৰ বাবে এনে হৈছে আজি বহুতো লৰাই B.A. আৰু M.A বা ইঞ্জিনিয়াৰিং পাছ কৰি চাকৰিৰ অনুসন্ধান কৰি আছে, কিন্তু চাকৰি পোৱা নাই। গতিকে এই ছাত্ৰ ছাত্ৰী সকলে পাছ কৰি অহাৰ লগে লগে যাতে চাকৰি পাব পাৰে তাৰ বাবে ব্যৱস্থা হব লাগে। এই দৰে যদি ছাত্ৰ ছাত্ৰী সকলক আমি অৰ্হতা চাই চাকৰি দিব পাৰো তেতিয়া আমাৰ ৰাজ্যত নিবনুৱাৰ সংখ্যা বহু পৰিমাণে কমি যাব। এই কাম পৰিকল্পিত ভাবে হব লাগে।

কৃষিৰ সৰ্ম্পকত ৰাজ্যপালৰ ভাষনত কোৱা হৈছে যে, কৃষিৰ উন্নতিৰ অৰ্থে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কিন্তু আমি ভাবো যে অসমৰ কৃষিৰ উন্নতি ভালদৰে হোৱা নাই। সেইবাবেই আজি আমি আমাৰ আৱশ্যকীয় খাদ্যবস্তু পিয়াজ, চাউল, দাইল আদি বাহিৰৰ পৰা আনিব লগা হয়। ইয়াৰ

প্ৰধান কাৰণ হৈছে, খৰাং বতৰ, পানী যোগান ব্যৱস্থাৰ অসুবিধা আৰু বানপানী। এই বানপানী প্ৰতিৰোধ কৰিব নোৱাৰা বাবেই আজি আমাৰ দেশৰ মানুহে দৰিদ্ৰতাৰ লগত সংগ্ৰাম কৰিব লগা হৈছে। মঙ্গলদৈ মহকুমাত কুৰুৱাৰপৰা ৰঙামাটিলৈ যি মথাউৰি আছে সেইটো যথেষ্ট নহয় ইয়াক কুৰুৱাৰ পৰা খাৰুপেটিয়ালৈ এটা বান্ধ দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই মঙ্গলদৈ অঞ্চলত মাটি সাৰুৱা যদিও খৰাং বতৰত পানীৰ অসুবিধাৰ বাবে খেতি নহয়। আৰু বাৰিষা বানপানী হোৱাৰ বাবে মানুহ দুৰ্দ্দশা গ্ৰস্ত অৱস্থাত পৰিব লগা হয়। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে অতি সোনকালে যিবিলাক ঠাইত পানীৰ অভাৱ সেইবিলাকত পানী যোগানৰ ব্যৱস্থা কৰি দিব লাগে আৰু বানপানী হোৱা ঠাইতো যাতে বান নিয়ন্ত্ৰণৰ ব্যৱস্থা সোনকালে কৰিব পাৰে তাৰ বাবে অনুৰোধ কৰিলো।

উদ্যোগীকৰণৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে বঙাইগাৱত পেট্ৰ-কেমিকেল কমপ্লেক্স উদ্যোগ প্ৰতিস্থা কৰা হৈছে মঙ্গলদৈ মহকুমাত কোনো উদ্যোগ এতিয়ালৈ হোৱা নাই। এটা মৰাপাটৰ কল কৰাৰ বাবে সদাই ৰাইজে অনুৰোধ জনাই আহিছে। কাৰণ এই অঞ্চলত যথেষ্ট পৰিমাণে মৰাপাট উৎপাদন হয়। ইয়াৰোপৰি এই মৰাপাট বাহিৰলৈ ৰপ্তানী কৰা হয়। গতিকে ইয়াত এটা মৰাপাটৰ কল স্থাপন কৰিলে আমাৰ দিনক দিনে বাঢ়ি অহা নিৰনুৱা সমস্যাও সমাধান হব বুলি আমি ভাবো। অধ্যক্ষ মহোদয়, মাটিহীন মানুহক মাটি দিয়াৰ বাবে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। যিসকল মানুহ প্ৰকৃততে মাটিহীন সেই সকলেও মাটি পাব লাগে। কিন্তু আমি দেখিছো প্ৰকৃততে মাটি থকা মানুহেই নিজৰ নামত মাটি থকা দেখুৱাই নিজৰ পৰিয়ালৰ আনৰ নামত মাটি ৰাখি তেওঁলোকেই মাটি পাই আছে। প্ৰকৃত মাটিহীনে যাতে মাটি পাব পাৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব লাগে। কেৱল মাটিহীনে মাটি পাব লাগে বুলি আইনত থাকিলে নহব।

চিকিৎসাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে মেলেৰীয়া আৰু বসন্ত আদি সংক্ৰাত্মক ৰোগ নিৰ্ম্মূল কৰিবলৈ চেষ্টা কৰা হৈছে। কিন্তু আমি দেখিবলৈ পাইছো যে অসমত যক্ষ্মাৰোগে ৰাইজৰ মাজত ব্যাপক ভাবে বাঢ়ি গৈছে। কিন্তু অন্যহাতে এই যক্ষ্মা ৰোগ বিদেশত একেবাৰে নিৰ্ম্মূল

কৰা হৈছে । যিহেতু এই ৰোগ ভাল কৰাৰ দৰব আবিস্কাৰ হল । গাওঁত মোৰ নিজৰ সমষ্টিতে দেখিছো বহুত মানুহ যক্ষ্মা ৰোগত ভুগিছে আৰু মৰিছেও । বিনামূলীয়া দৰব পাতিৰ ব্যৱস্থা হোৱা নাই । চৰকাৰী হস্পিতাল বোৰৰ ডাক্তৰ সকলৰ ওচৰত বেমাৰ দেখুৱালে ডাক্তৰে প্ৰেচ্ক্ৰিপশ্যন লিখি দিয়ে কিন্তু হস্পিতালৰ পৰা কোনো ঔষধ পাতি বিনা মূলীয়াকৈ নিদিয়ে। দুখীয়া ৰোগীয়ে ঔষধ পাতি কিনিব নোৱাৰি বিনা চিকিৎসাত মৃত্যুৰ মুখত পৰিছে। গুৱাহাটী মেডিকেল কলেজত যি সকল চিকিৎসক আছে তেওঁলোকৰ নিজাকৈও ঘৰত একোখন চেম্বাৰ ৰাখে মাত্ৰ চহকী মানুহৰ কাৰণেহে আছে আৰু তেওঁলোকে সেইকাৰণে চৰকাৰী চিকিৎসালয়ত একানপতীয়াকৈ কাম কৰিব নোৱাৰে। কাৰণ নিজা চেম্বাৰত তেওঁলোকে ফিজ পায় । গুৱাহাটীৰ মেডিকেল কলেজত আমি দেখিবলৈ পাওঁ কোনোবা ৰোগীয়ে হাত ভৰি ভাঙি যদি এক্সৰে কৰাবলৈ যায় তেন্তে ডাক্তৰে কয় একস্ৰে প্লেট নাই। তেওঁলোকে মাত্ৰ প্ৰেচকিপস্যনহে লিখি দিয়ে । দুখীয়া গৰীৱ লোকে সময়ত একস্ৰে প্লেটৰ অভাবত আৰু ঔষধ কিনাৰ অভাৱত চিকিৎসাৰ পৰা বঞ্চিত হয় সেইকাৰণে মই চৰকাৰক কব খুজিছো যে চৰকাৰী হস্পিতাল বোৰৰ ডাক্তৰ সকলে যাতে নিজাকৈ একোখন চেম্বাৰ খুলিব নোৱাৰে এনে ব্যৱস্থা হব লাগে । দৰমহা লাগিলে বঢ়াই দিয়ক আৰু চৰকাৰী হস্পিতালৰ বোৰত যাতে বিনা মূল্যাই ঔষধ-পাতি পোৱাৰ ব্যৱস্থা হয় তাৰ ব্যৱস্থা হব লাগে।

দূৰ্নীতি দূৰীকৰণৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে ১৯৭১ চনৰ ৭৮১ টা দূনীতিৰ অভিযোগ পাইছিল আৰু ১৩৫ টা অভিযোগ নিষ্পতি কৰিছিল । কিন্তু মই ভাবো চৰকাৰৰ চকুত পৰা এই কেইটা অভিযোগৰ উপৰিও আৰু দূৰ্নীতিৰ অভিযোগ আমাৰ দেশত বহুত আছে । যেতিয়ালৈকে মাক-বাপেক মৰাৰ পিচত লৰা-ছোৱালীৰ দায়িত্ব যেতিয়ালৈকে চৰকাৰে কৰিব নোৱাৰে তেতিয়ালৈকে দূৰ্নীতি দূৰীকৰণত চৰকাৰ সাফল্য মণ্ডিত হব নোৱাৰে। কাৰণ দূৰ্নীতি কৰি মানুহে টকা গোটাব খোজে কাৰণ পৰিয়ালৰ সম্পূৰ্ণ দায়িত্ব নিজৰ ওপৰত চৰকাৰে বিনামূলীয়া শিক্ষা বিনামূলীয়াকৈ চিকিৎসা আৰু মানুহৰ জীয়াই থকাৰ দায়িত্ব যিদিনা সম্পূৰ্ণ ভাবে গ্ৰহণ কৰিব পাৰিব সেইদিনাই দূৰ্নীতি আতৰ হব আৰু সমাজবাদ প্ৰতিষ্ঠা হব । গতিকে মই চৰকাৰক অনুৰোধ কৰো যাতে চৰকাৰে আমাৰ ভৱিষৎ বংশধৰ সকলৰ মঙ্গলৰ কাৰণে জীৱন-

যাপনৰ কাৰণে দায়িত্ব গ্ৰহণ কৰিবলৈ চেষ্টা কৰে। মই আৰু বেছি নকওঁ, কাৰণ সদনৰ আৰু প্ৰায় ৩? জনমান সদস্যই ৰাজ্যপালৰ ভাষণৰ ওপৰত কবৰ কাৰণে আশা কৰি আছে। মোৰ কথাখিনি ব্যক্ত কৰাৰ সময়ত উপাধ্যক্ষ ডাঙৰীয়াই বেল বজোৱা নাই আৰু অতি ধৈৰ্য্য সহকাৰে মোৰ কথাখিনি শুনি মোক কবলৈ সুবিধা দিয়াৰ কাৰণে মই তেখেতলৈ ধন্যবাদ আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Ramesh Monan Kouli :

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ এটা বিশেষ বিষয়ৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিব খুজিছো ; সেইটো হৈছে যে ৰাজ্যপালৰ ভাষণত বহুতো পিচপৰা অঞ্চলৰ কথা উল্লেখ কৰা হোৱা নাই। অলপমান উল্লেখ হৈছে যদিও কিছুমান সমস্যা যেনে বানপানীৰ সমস্যাটোৰ বিষয়ে কোনো উল্লেখ যোগ্য ব্যৱস্থাৰ উল্লেখ নাই। ১৯৫০ চনৰ ভূমিকম্পৰ পিছৰে পৰা হোৱা বান-পানীৰ দুৰ্য্যোগৰ কথাটো ইয়াত প্ৰতিবিম্বিত হোৱা নাই।

উত্তৰ লক্ষীমপুৰ আৰু ধেমাজী অঞ্চল দুটাত বানপানীৰ ফলত বৰ্ত্তমান যি ভয়াবহ অৱস্থাৰ সৃষ্টি হৈছে সেই অঞ্চল দুটাৰ প্ৰতিৰক্ষাৰ কোনো আঁচনি চৰকাৰে গ্ৰহণ কৰা নাই, ফলত আজি মানুহৰ দুখ-দুৰ্দ্দশা হৈছে। ৰিলিফৰ কাৰণে চৰকাৰে কিছুমান টকা অযথা খৰচ কৰিছে। সেই টকা যদি চৰকাৰে বাননিয়ন্ত্ৰনত খৰচ কৰিলেহেতেন তেনেহ'লে দুৰ্দ্দশাগ্ৰস্ত ৰাইজৰ কিছু সহায় হল-হেতেন আৰু উত্তৰ লক্ষীমপুৰ বিশেষকৈ ধেমাজী অঞ্চলৰ ৰাইজে আজি অতদিনে কৰি অহা আবেদন নিবেদন নাথাকিলেহেতেন আৰু যি অঞ্চল এসময়ত ধানৰ ভৰাল আছিল সেই অঞ্চলৰ মানুহে আজি ভিক্ষাৰ সজুলী লৈ ঘৰে ঘৰে ভিক্ষা কৰি ফুৰিব লগা নহল হেতেন—। আশাকৰো আমাৰ নতুন চৰকাৰে বানপানী নিয়ন্ত্ৰণ বিষয়ত চোকা দৃষ্টি ৰাখে।

১৯৫০ চনৰ ভূমিকম্পৰ পিচত জীয়াধল আৰু চিমেনে নদীয়ে যি গতি ললে তাৰ পৰিণতি স্বৰূপে তাৰ ৰাইজে আজিও জীয়াতু ভুগি সহ্য কৰি আছে। ১৯৬৮ চনত জীয়াধলে প্ৰায় কুৰি বৰ্গমাইল জুৰি এটা অঞ্চল বেলেগ কৰি পেলাইছে। ফলত ২০/২৫ খন গাওঁ জলাতক হৈ পৰিছে। যোৱাবছৰ চিমেন অঞ্চলত কিছু বাননিয়ন্ত্ৰন কৰা হৈছিল, সিও নাম মাত্ৰহে।

যোৱাবাৰ আহু খেতি, শালি খেতি দুয়োতাকে বানপানীয়ে নষ্ট কৰিলে ফলত ধানৰ ভৰাঁল তলগল আৰু মানুহৰ খাবলৈ এমুঠি নাই। ৰিলিফৰ যি ব্যৱস্থা হৈছিল তাকো মাত্ৰ কেইঘৰমান মানুহেহে পালে বাকী মানুহে পাবলৈ আশা পালি আছিল। আশাকৰো চৰকাৰে বাননিয়ন্ত্ৰনৰ খৰতকীয়া ব্যৱস্থা লব।

ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে "প্ৰতিবছৰেই অসমত বানপানী হয়। এই বছৰত হোৱা চাৰিটা বানপানীত বিশেষকৈ ধেমাজী আৰু উত্তৰ লক্ষীমপুৰ মহকুমা দুটা বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। এই বানপানীত সৰ্ব্বমুঠ ৬ লাখ, ৭৩ হেজাৰ ৭শ ৩০ জন লোক ক্ষতিগ্ৰস্ত হয়। শস্যৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ উপৰিও ভালেমান ৰাস্তা—ঘাট বিছিন্ন হয়, আৰু মঠাউৰি আদিও ভাঙে। বানপানীত ক্ষতিসাধন হোৱা শস্য আৰু সা-সম্পৰ্ত্তিৰ মূল্য ৫·৬৮ কোটি টকা হব বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। বানপানীত প্ৰপীড়িত লোকক সাহাৰ্য্য দিয়া আৰু ৰাস্তাঘাট আদি মেৰামতি কৰাৰ বাবে ইতিমধ্যে ৫৪·৩০" লাখ টকা খৰচ কৰা হৈছে।

মই কৈছো এইখিনি সা-সম্পৰ্ত্তি যদি নষ্ট হৈ যায় আৰু ৰাইজে ঋণ বা ৰিলিফৰ কথাকেই ভাবিব লগীয়া হয় নাইবা যি মানুহে চৰকাৰৰ মূখলৈ চাই থাকিব লগীয়া হয় আৰু সেই চৰকাৰেই যদি ৰাইজক বিমূখ কৰি দিয়ে; তেন্তে সেই চৰকাৰৰ ওপৰত ৰাইজৰ অকনো আস্থা নাই। এই ক্ষেত্ৰত মই মূখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিছোঁ যে, তেখেতৰ যিটো Deptt ত আছে সেই Deptt টোৱেই ৰাইজক বিমূখ কৰে।

১৯৬৮ চনতে যেতিয়া জীয়াধল নদীয়ে ধেমাজীৰ ফালে গতি কৰিলে এই গতি ৰোধ কৰি নদীখন অইনফালে বোৱাবৰ কাৰণে বিভাগীয় চৰকাৰে জীয়াধল নলা খানিবৰ কাৰণে ৪০ লাখ টকা মঞ্জুৰী দিছিল। কিন্তু এই টকা কেনেকৈ ব্যৱহাৰ কৰিলে আৰু ক'ত খৰছ কৰিলে তাৰ কোনো কথাই উল্লেখ কৰা নাই। এই নদী খন যাতে পূৰফালে অথাৎ ধেমাজীৰ ফাললৈ গতি কৰিব নোৱাৰে ; তাৰ বাবে কোনো ব্যৱস্থা নোলোৱাৰ ফলত এতিয়া নদীখনে পূৰফালে ধেমাজী টাউনৰ ফালে আহিবলৈ আৰম্ভ কৰিলে। কাৰণ নলা খান্দিলেহে, কিন্তু ৰক্ষনাবেক্ষনৰ কাৰণে উপযুক্ত বান্ধ নিদি যিটো নলা খানি দিছিল সেই ফালে পানী নগৈ বাৰিষা অহাৰ লগে লগে ধেমাজীৰ ফাললৈ বেচিকৈহে পানী আহিবলৈ ধৰে আৰু তাৰ ফলত

আজি আঢ়ৈবছৰে ৰাইজক জুলুকা-জুলুকে পানী খুৱাই আছে। যেতিয়া বান্ধৰ কাম আৰম্ভ কৰিব লাগে তেতিয়া নকৰি বাৰিষাৰ সময়ত কৰাৰ কাৰণে বান্ধ বিলাক পানীয়ে লৈ যায়। এইদৰে অনাহকত ৪০ লাখ টকা অপচয় কৰিছে। তাৰ কাৰণে ৰাইজে দাবী কৰাত "তদন্ত আয়োগ" তৈয়াৰ হৈছিল কিন্তু আজিলৈকো উক্ত আয়োগৰ ৰিপৰ্টৰ ফলাফল কি হল জনা নগল। আৰু ৰাইজৰ দাবী আছিল দুৰ্নীতিত লিপ্ত থকা অফিচাৰ সকলৰ বিৰুদ্ধে উচিত ব্যৱস্থা লব লাগে। কিন্তু আজিও চৰকাৰে কোনো ব্যৱস্থা নললে কিন্তু উক্ত নলাখনাৰ দুৰ্নীতিৰ সংক্ৰান্তত তদন্ত চলি থাকেমানে উক্ত নলাৰ বিলৰ payment ইতিমধ্যে হৈ যোৱা বুলি শুনিবলৈ পাইছো। এই সম্পৰ্কে তদন্ত আয়োগে কি প্ৰতিবেদন দিলে আৰু কি action ললে আমি গম নাপালোঁ। গতিকে মূখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰোঁ যে অনতি পলমে এই তদন্তৰ ফলাফল ঘোষণা কৰিব লাগে।

আন এটা কথা যে জীয়াধল পুৰণা মাথাউৰীৰ "তঙনা পৰা" নামে ঠাইত যত মাঠাউৰী ভাঙি গৈছিল ৰাইজক সংস্থাপন কৰিবৰ বাবে যিটো মঠাউৰি বান্ধিছিল, সেইটো যোৱাবছৰ অথাৎ ১৯৭১ চনৰ May মাহত বন্ধাৰ কাৰণে বাৰিষা অহাৰ লগে লগে ভাঙি গল। ফলত তাৰ বাবে Sanction কৰা অজস্ৰ টকা অথলে গল। যদি ভাদ আহিন মাহত মথাউৰিটো ভঙা হলে সেইটো বেলেগ কথা. কিন্তু এতিয়া প্ৰথম বাৰিষাতেই ভাগিল। আজি ৪/৫ বছৰ হল, এই বান্ধটো নবন্ধাৰ বাবে জীয়াধল নদীখনে পূবলৈ গতি কৰিছে আৰু ৰাইজৰ মনত আতঙ্কৰ সৃষ্টি হৈছে। এই বিষয়ে ৰাইজে কেইবাবাৰো টেলিগ্ৰাম কৰি জনাইছিল আৰু কেইবাটাও দৰখাস্ত দি আছে; কিন্তু তাৰ কোনো উযুপক্ত ব্যৱস্থা নোলোৱাত আজি ৰাইজৰ অৱস্থা শোচনীয়।

এই বিষয়ত মই ব্ৰহ্মপুত্ৰ Flood Control Commission কমিচনৰ কথালৈ আহোঁ। ১৯৭০ চনৰ ২৪ জুলাইৰ পৰাই এই ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰন কমিচন গঠন হৈছে; কিন্তু এতিয়ালৈকে তেওঁলোকে Data collect কৰিয়েই আছে। আচল কথা হল এই কমিচনৰ চেয়াৰমেনজন ও সদস্য প্ৰায় বাহিৰৰ পৰা নিয়োগ কৰাৰ কাৰণে অসমৰ নদীবোৰ কোন সময়ত কোনফালে গতি কৰে সেই বিষয়ে তেওঁ-লোকৰ বিশেষ অভিজ্ঞতা নাই। আনহাতে আমাৰ চৰকাৰে তেওঁলোকৰ ওপৰতেই আমাৰ ৰাজ্যৰ ভৰষা এৰি দিছে, তাৰোপৰি চেয়াৰমেন জনকেই যে চেক্ৰেটৰীও

পাতিব লাগে, এই কথা আগতে আমি শুনা নাছিলোঁ। গতিকে দেখা যায় যে, এই বান নিয়ন্ত্রন আয়োগে ৰাইজৰ তেজ শোষন কৰিবৰ কাৰণেহে আগবাঢ়ি আছে। এই আয়োগটো পুনৰ গঠন কৰাৰ কাৰণে মই চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিলোঁ, যাতে ইয়াৰ অনতিপলমে বিহিত ব্যৱস্থা হাতত লয়।

মহাবাহু ব্ৰহ্মপুত্ৰ, জীয়াধল আৰু শোৱনশিৰিৰ গ্ৰাহৰ পৰা উত্তৰ পাৰ অঞ্চলটো ৰক্ষা কৰিবৰ কাৰণে যথোচিত ব্যৱস্থা লব লাগে, অন্যথাই সেই অঞ্চলৰ ৰাইজে বহাগ মাহতে ভিক্ষাৰ সজুলী লৈ এই অঞ্চলৰ পৰা আঁতৰি যাব লাগিব নতুবা ৰাইজো মাৰবান্ধি আহি ৰাজধানীত আশ্ৰয় লব লগীয়া হব।

তাৰ পাচত মোৰ বন্ধু শ্ৰীপিটসিং কোঁৱৰ ডাঙৰীয়াই জনজাতিৰ সম্পৰ্কত যিবিলাক কথা কৈছে সেইবিলাক মই সমৰ্থন কৰিছেঁ।। বিশেষকৈ জনজাতি সকলৰ নিয়োগৰ বিষয়ে মূখ্যমন্ত্ৰীক বহুবাৰ আবেদন নিবেদন কৰিছিলো যে এতিয়াও শতকৰা ৭·৫ হে হৈ আছে। সংবিধানে শতকৰা ১০ ভাগ সুবিধা দিছে সেইটো আমি পোৱা নাই। জনজাতি সকলে সংবিধানৰ ৪৬ অনুছেদৰ মতে যি খিনি economic benefit আৰু appoitment ৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পাব লাগে সেই খিনিৰ আজি অসম চৰকাৰে আমাক বঞ্চিত কৰি ৰাখিছে। এতিয়াও ২½ p.c. বাকী আছে। সেইখিনি ভূতপূৰ্ব্ব মূখ্যমন্ত্ৰী শ্ৰীযুত মহেন্দ্ৰ মোহন চৌধুৰী দেৱে প্ৰতিশ্ৰুতি দিছিল যে ১৯৭৩ চনৰ ভিতৰতে সম্পূৰ্ণ কৰা হব বুলি।

তাৰ পাছত আমাৰ জনজাতিৰ যি সকল কৰ্ম্মচাৰী আছে, সেই সকলৰ promotion ৰ ক্ষেত্ৰতো Central Govt ৰ circular অনুযায়ী priority দিব লাগে। কিন্তু তেওঁলোকক এই ফালৰ পৰাও বঞ্চিত কৰিছে। গতিকে চৰকাৰে এই বিলাক কথা সুস্থিৰ মনেৰে চিন্তা কৰিব লাগে।

দ্বিতীয়তে চৰকাৰে আঞ্চলিক বৈষম্য দূৰ কৰিব পৰা নাই; যাৰ ফলত প্ৰত্যেক অঞ্চলতেই আঞ্চলিক ভিত্তিত নানা ধৰণৰ দাবী আহিছে। আজি উজনি অসমত কিয় Autonomous State ৰ দাবী আহিছে? উজনি অসমৰ ৰাইজে দাবী কৰিছিল উজনি অসমৰ সা-সম্পৰ্ত্তি প্ৰাকৃতিক সম্পৰ্ত্তি খনিজ সম্পদ আদি উজনি অসমতেই খটাব লাগে। আজি প্ৰায় অঞ্চলৰ স্কুলৰ ঘৰ-দুৱাৰ নাই, আলিপদুলী নাই, বানপানীত কক্‌বকাই আছে। কিন্তু এইবোৰ চৰকাৰে

চিন্তা নকৰাৰ বাবে আজি উজনি অসমৰ Autonomous State ৰ দাবী আহিছে Plains Tribal Council ৰ দাবী আহিছে।

এই ক্ষেত্ৰত মই মূখ্যমন্ত্ৰীৰ দৃষ্টি আৰ্কষণ কৰি কওঁ যে আঞ্চলিক সমস্যা বিলাক যদি মনকান নিদিয়ে যদি জনজাতি, পিছপৰা সম্প্ৰদায়ৰ লোককো সম্যক ৰূপে ব্যৱহাৰ নকৰে বা পাবলগীয়া সুবিধাবোৰ যদি নিদিয়াকৈ থাকে, প্ৰশাসনত দূৰ্নীতিৰ আশ্ৰয় লয়, কংগ্ৰেছৰ শাসনৰ গাদীকেই যদি মূলধন হিচাবে ব্যৱহাৰ কৰে তেতিয়া হলে যি প্ৰতিশ্ৰুতিত আজি চৰকাৰৰ গঠন হৈছে তাৰ পৰিনতি বিষময় হব। সময়ৰ নাটনিত এই খিনিকেই কৈ মই ৰাজ্যপালৰ ভাষনৰ ওপৰত অনা সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰিলো।

(Interruption)

**Shri Dulal Chandra Barua :** Sir, it is the convention of the House that when a hon. Member takes part in the discussion on a particular subject concerning a particular department, the Cabinet Minister of that department should be present in the House.

**Shri Debendra Nath Bora :** মাননীয় অধ্যক্ষ মহোদয় এই সদনত ৰাজ্যপালৰ ভাষণ সম্পৰ্কত মাননীয় সদস্য শ্ৰীলীলা কান্ত বড়া ডাঙৰীয়াই যি প্ৰস্তাৱ আগবঢ়াইছে সেই প্ৰস্তাৱটো ময়ো সমৰ্থন কৰিছো যদিও ৰাজ্যপালৰ ভাষণত ২/১ টা আসোৱাঁহ আমি দেখিছো তাকো মই এই সদনত ডাঙি ধৰিব খুজিছো। দৰাচলতে কবলৈ গলে ৰাজ্যপালৰ ভাষণ এটা কামৰ খতিয়ান যেনহে লাগে। আমাৰ ৰাইজে যি আশা কৰি তেওঁলোকৰ প্ৰতিনিধি হিচাবে আমাক ইয়ালৈ পঠিয়াইছে আৰু তেওঁলোকে আশা কৰিছে যে তেওঁলোকৰ অভাৱ অসুবিধা আৰু দেশৰ অৰ্থনৈতিক অৱস্থা, নিবনুৱা সমস্যা সেইটো যাতে কিছু পৰিমানে সমাধান হয়। মই আশা কৰিছিলো যে আমাৰ দেশৰ যি অৰ্থনৈতিক অৱস্থা সেই অৱস্থাৰ পৰিপেক্ষিত ৰাজ্যপালৰ ভাষণখন যদি এখন গতিশীল ভাষণ হলহেতেন তেনেহলে ব্যক্তিগত ভাৱে মই সুখী হলোহেঁতেন। ৰাজ্যপালৰ ভাষণখন কবলৈ গলে এখন গতানুগতিক ভাষণহে ইয়াত ডাঙি ধৰা

হৈছে। অৱশ্যে মই এই কথাও লক্ষ্য ৰাখিছো যে ৰাজ্যপালৰ ভাষণত ২/১ টা অতি আৱশ্যকীয় আৰু মূল্যবান কথাও ডাঙি ধৰিছে আৰু ২/১ টা শব্দও তাত সনিবিষ্ট কৰিছে। জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়ন আৰু জীৱন ধাৰণৰ মান খৰটকীয়া ভাবে উন্নত কৰাৰ উদ্দেশ্য আমাৰ চৰকাৰে বৰ্দ্ধিত নিবনুৱা সমস্যা সমাধাণৰ কাৰণে অহোপুৰুষাৰ্থ চেষ্টা কৰিব আৰু দাৰিদ্ৰতা নিৰ্ম্মূল কৰিবলৈ আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব।

উপাধ্যক্ষ মহোদয়, ইয়াত এটা কথা মন কৰিবলগীয়া সেইটো হৈছে খৰটকীয়া ভাবে উন্নত কৰাৰ উদ্দেশ্য, সেইকাৰণে মই ভাবো আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থা খৰটকীয়া ভাবে উন্নতি হব। দেশৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিবলগীয়া হলে শিল্প আৰু কৃষিৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব। ১৯৫৭ চনৰ এই ৰাজ্যখনক উদ্যোগী কৰণৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিলে? উদ্যোগীকৰণৰ বাবে সেই সময়ৰ পৰাই চৰকাৰে কিমান মূলধন বিনিয়োগ ঘটালে আৰু কিমান থলুৱা লোকক নিয়োগ কৰি ৰাজ্যখনৰ নিবনুৱা সমস্যা সমাধান কৰা হল তাৰ এটা প্ৰকৃত হিচাব ৰাইজক আৰু এই সদনক জনাব লাগে। আৰু সেই খতিয়ান ৰাইজৰ কাৰণে দৰকাৰ।

কৃষিৰ ক্ষেত্ৰত মই কও যে কৃষিৰ উন্নতি কৰিবলগীয়া হলে আমাৰ ভূমিসমস্যাটো খৰতকীয়া ভাবে সমাধান কৰিব লাগে। তাকে কৰিবলগীয়া হলে আমি প্ৰগতিশীল আইন সদনত খৰতকীয়া গ্ৰহণ কৰিব লাগে, এই ক্ষেত্ৰত মই উল্লেখ কৰিব বিচাৰো যে ১৯৫৬ চনত এই ৰাজ্যত যি আধিয়াৰ আইন ৰচনা কৰা হৈছিল সি এখন প্ৰগতিশীল আইন হোৱা সত্বেও তাক কাৰ্য্যত প্ৰয়োগ কৰা নহল। সেই আইনখনক কবৰ দিয়া হল। বৰ্তমানেও এই ৰাজ্যত চিলিং আইন গ্ৰহণ হৈছে যদিও তাকো কাৰ্য্যত পৰিণত হব নে নহয় মোৰ সন্দেহ হৈছে। এই আইনৰ মতে প্ৰতি পৰিয়ালক ৭৫ বিঘা মাটিৰ অধিকাৰ দিয়া হৈছে। কিন্তু কিছুমান ন্যস্তস্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল লোকে বে-নামী ভাৱে নিজৰ নিজৰ পৰিয়ালৰ নামত অধিক মাটি ৰখাৰ চেষ্টা কৰিছে। গতিকে এই সম্পৰ্কত চৰকাৰে আৱশ্যকীয় ব্যৱস্থা গ্ৰহন কৰিব লাগে আৰু ৭৫ বিঘাৰ ওপৰৰ মাটি চৰকাৰে হস্তগত কৰিব লাগে। মাটি নীতি সম্পৰ্কে এই বিলাক প্ৰগতিশীল আইন ক্ষীপ্ৰ ভাৱে প্ৰয়োগ কৰাৰ চেষ্টা কৰি

লাগে। আৰু বেনামী ভাৱে যাতে মাটি হস্তান্তৰিত কৰিব নোৱাৰে তাৰ তৎকালীন ব্যৱস্থা কৰিব লাগে আৰু এই ক্ষেত্ৰত মই বিশেষ এটা কথা উল্লেখ কৰিব খুজিছো যে, যি সকল কংগ্ৰেছী সদস্য আৰু নেতৃস্থানীয় লোক আছে সেই সকলে যদি কাৰোবাৰ ৭৫ বিঘাতকৈ বেছি মাটি আছে সেই মাটি চৰকাৰক চমজাই দিব লাগে। কাৰণ নিজে তাৰ আহি নেদেখুৱালে কাম কৰা বা উপদেশ দিয়া টান হব। আমাৰ ৰাজ্যৰ যি বিলাক মানুহে পতিত মাটি বনাঞ্চল বা গোপচাৰ বা অন্যান্য পতিত মাটি বেদখল কৰি আছে, সেই সকল মানুহক চৰকাৰে নিৰ্দ্দিষ্ট নীতি গ্ৰহণ কৰি যদি তেওঁলোক প্ৰকৃততে মাটি-হীন, হাতে হালোৱা হয় তেনেহলে তেওঁলোকক মাটি পট্টন দিব লাগে। ৫ বিঘা-তকৈ যি বিলাক মানুহৰ মাটি কম, যি বিলাক হাতে হালোৱা মানুহ, যদি তেওঁলোকে কৰবাত বেদখল কৰিও বহি আছে তেওঁলোকক চৰকাৰে সেই মাটি পট্টন দি কৃষি উৎপাদনৰ ক্ষেত্ৰত উৎসাহ দিব লাগে। কেৱল মাটি পট্টনেই নহয় কৃষি উৎপাদনৰ কাৰণে জলসিঞ্চন, উন্নত বীজ, সাৰ, আৰু আধুনিক সা-সৰঞ্জামৰো যোগান দিব লাগিব। জলসিঞ্চনৰ ব্যৱস্থা কৰি কৃষিৰ উৎপাদন বৃদ্ধি হব আৰু মানুহৰ আৰ্থিক অৱস্থাও উন্নত হব। এই খিনিতে মই এটা কথা উল্লেখ কৰিব বিচাৰো পৰিকল্পনা আয়োগৰ এটা সমীক্ষাত কোৱা হৈছে যে ভাল জলসিঞ্চনৰ ব্যৱস্থা কৰিলে এক একৰ মাটিত দুটনকৈ অধিক খেতি কৰিব পৰা যাব আৰু এক একৰ মাটিৰ আয় হব বছেৰেকত ৬০০০.০০ টকা। যদি জলসিঞ্চনৰ ব্যৱস্থা কৰা নহয় তেনেহলে সেই মাটিৰ উৎপাদন হব আধা আৰু আয়ো হব আধা। জলসিঞ্চনৰ ব্যৱস্থা কৰিলে এবিঘা মাটিত বছেৰেকত দুটাতকৈ অধিক খেতি কৰিব পাৰি; আমাৰ মানুহে খেতি কৰে দুটা, কিন্তু এই দুটা খেতিৰ বাহিৰেও একেটা বছৰেকতে আহ্মাৰ, টাইচুং আৰু বৰো খেতি কৰিব পাৰি। অকল আহ্মাৰ খেতি কৰিলেই একো বিঘা মাটিত ২০ মোন ধানো পোৱাৰ উদাহৰণ আছে। মই ভাবো এই পদ্ধতি অবলম্বন কৰিলে আমাৰ দেশত কৃষিৰ ক্ষেত্ৰত উৎপাদন বাঢ়ি মানুহৰ অৰ্থনৈতিক অৱস্থা টনাকয়াল হব। তাৰোপৰি বিজুলী শক্তিও অকল চহৰতে আৱদ্ধ নাৰাখি গাৱে ভূৱে সম্প্ৰসাৰিত কৰি পানী যোগান, জলসিঞ্চনৰ ব্যৱস্থা কৰি কৃষি আৰু শিল্পৰ ক্ষেত্ৰত তাক প্ৰয়োগ কৰিব পাৰি। লগে লগে বহুতো সৰু-সুৰা উদ্যোগ গঢ়ি তুলি আমাৰ নিবনুৱা সমস্যা

সমাধানৰ পথ প্ৰশস্ত কৰিব পৰা যায়। সেই কাৰণে বিজুলী শক্তি সম্প্ৰসাৰণ কৰাত খৰতকীয়া ব্যৱস্থা লব লাগে।

এই বিলাক উদ্যোগ গঢ়িবৰ কাৰণে আমাৰ সমাজৰ নেতৃস্থানীয় মানুহ আগবাঢ়ি অহা নাযায় তেতিয়াহলে আমাৰ যুৱক সকলক আগবঢ়াই অনা সম্ভৱপৰ নহব। আমাৰ নেতৃস্থানীয় লোক সকলে, সাধাৰণতে, যুৱক সকলে শিল্প আদিত লাগিবলৈ ভাল নাপায় বুলি দোষাৰোপ কৰিফুৰে; ইয়াৰ কাৰণে তেওঁলোকক দোষ দি লাভ নাই। উপযুক্ত নেতৃত্ব দিব পাৰিলে দেশৰ যুৱক সকলে কামত আত্মনিয়োগ কৰিবলৈ নিশ্চয় আগবাঢ়ি আহিব। এসময়ত, পঞ্জাবৰ মুখ্যমন্ত্ৰী কাইৰণে পঞ্জাবক নেতৃত্ব দি শতধাবিধ্বস্ত পঞ্জাব দেশ খনক, শিল্প আৰু কৃষিৰ ক্ষেত্ৰত আগবাঢ়াই নিৰ্ভৰশীল কৰি তুলিলে, ঠিক তেনেকৈয়ে আমাৰ ৰাজ্যখনকো চৰকাৰে নেতৃত্ব দি সকলোৰে ক্ষেত্ৰত নিৰ্ভৰশীল কৰি তুলিব লাগিব। যদি আমি তাকে নকৰো, তেনেহলে আমাক কোনেও ক্ষমা নকৰিব।

(সময়ৰ সংকেত)

আজি আমাৰ ৰাজ্যখনত এক শোচনীয় বিত্তীয়ৰ অৱস্থাই দেখা দিছে। এই বিত্তীয় অৱস্থা টনকিয়াল কৰিবলৈ চৰকাৰে যত্ন কৰিব। এই বিত্তীয় অৱস্থা টনকীয়াল কৰিব লগীয়া হলে কিছুমান প্ৰগতিশীল নীতিৰ প্ৰয়োগ কৰা দৰকাৰ। আমাৰ কৃষি, শিল্প, সকলো সম্পদ আহৰন কৰিব পৰা হব লাগিব। Economic survey য়ে সংসদত দাখিল কৰা এটা সমীক্ষাৰ পৰা দেখা যায় যে, ১৯৭১/৭২ চনত আমাৰ জনমুৰি আয় বহুগুনে কমি গৈছে। ইয়াৰ কাৰণ দেখুৱাইছে বাংলাদেশৰ জন্ম পাকিস্তানৰ লগত যুদ্ধ ভগনীয়াৰ সোঁত ইত্যাদি। ১৯৭১/৭২ চনত আমাৰ জাতীয় আয় হয় শতকৰা ৪ ভাগ অথচ ১৯৭০/৭১ চনত আছিল শতকৰা ৫ ভাগ। এয়ে হৈছে আমাৰ দেশৰ শোকলগা বিত্তীয় অৱস্থা। এই পটভূমিত ৰাজ্যিক চৰকাৰে ১৯৭২/৭৩ চনত আমাৰ বিত্তিয় ব্যৱস্থা কেনেকৈ টনকিয়াল কৰিব পাৰি তাৰ যত্ন লবলৈ চৰকাৰক অনুৰোধ জনাইছো। দেশৰ সম্পদ আহৰন, যোগাযোগ, কৃষি উৎপাদন ব্যৱসায় বানিজ্য শিল্প আদি জৰিয়তে ৰাজ্যৰ বিত্তীয় পৰিস্থিতি ভাল কৰিবলৈ চৰকাৰে নিশ্চয় যত্ন লব। বৰ্ত্তমান যি oevrdraft অভ্যাস চলি আছে সেই

অভ্যাস অনতি পলমে দূৰ কৰিব নোৱাৰিলে আমাৰ ৰাজ্যৰ বিত্তীয় অৱস্থা আৰু দুৰ্ব্বল হৈ পৰিব।

Shri Debendra Nath Bora : মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ ৰাজ্যৰ আৰ্থিক অৱস্থা ভাল কৰিবৰ কাৰণে কেইটামান পৰামৰ্শ দাঙি ধৰিছো। এটি বিশেষ পৰামৰ্শ যে বিশেষকৈ আমাৰ কেন্দ্ৰীয় চৰকাৰে যি Direct Taxes Enquiry Committee কে, এন, আৱানচুৰ নেতৃত্বত যি আয়োগ গঠন কৰি দিছিল, আৰু সেই আয়োগৰ পৰামৰ্শ সংসদত দাখিল কৰিছে, সেই পৰামৰ্শ মতে মই ভাৱো আমাৰ ৰাজ্য চৰকাৰেও কৰ ফাঁকি বন্ধ কৰিব পাৰে তাৰ ওপৰত যেন বিশেষ চকু ৰাখে। আমাৰ ৰাজ্যৰ গ্ৰাম্য উন্নয়ণৰ কাৰণে আমাৰ এই ৰাজ্যই এটা State development fund তৈয়াৰ কৰিব পাৰে, সেই বিষয়ত যেন মুখ্য মন্ত্ৰী মহোদয়ে চকু দিয়ে। কাৰণ আমাৰ মূখ্য মন্ত্ৰী মহোদয়ে প্ৰতিৰক্ষাৰ বাবদ পুঁজি সংগ্ৰহ কৰি আছে আৰু সেই সম্পৰ্কে ৰাইজে ধন বৰঙনি আগবঢ়াই থাকে। ঠিক সেইদৰেই State development fund গঠন কৰিবলৈ মই পৰামৰ্শ আগ· বঢ়াইছো National development fund কমিটিৰ জৰিয়তে যদি State development fund তৈয়াৰ কৰা হয়, তেনেহলে ইয়াত অন্যান্য ৰাইজেও বৰঙনি যোগাব আৰু তেতিয়া আমাৰ ৰাজ্যৰ আৰ্থিক অৱস্থা উন্নতি হব আৰু উন্নয়নৰ কামো কৰিব পৰা যাব। সেই বিষয়ে আমাৰ ৰাজ্য চৰকাৰে চকু দিব বুলি আশা কৰিছো।

চিকিৎসা বিষয়ত ৰাজ্যপালে কিছু কথা দাঙি ধৰিছে। বৰ্ত্তমান চৰকাৰে এই বিষয়ত সতৰ্ক আৰু যত্ন লোৱা বিশেষ দৰকাৰ। ভাৰতৰ ৫ লাখ ৬০ হাজাৰ গাৱঁৰ শতকৰা ২৫ ভাগ লৰা ছোৱালীয়েই দুষিত পানী খোৱাৰ বাবে পেটৰ বেমাৰত বা ক্ৰীম ৰোগত মৰিছে। গতিকে ৰাজ্যিক চৰকাৰে গাওঁ-ভূঞ বিলাকত ভাল খোৱা পানীৰ ব্যৱস্থা কৰে তাৰ প্ৰতি চকু দিব। আমাৰ চিকিৎসা ব্যৱস্থা যাতে ভাল হয় সেই বিষয়েও ৰাজ্য চৰকাৰে চকু দিব বুলি আশা কৰিছো। এই সংক্ৰান্তত এটা কথা উল্লেখ কৰো যে, আগৰ ৰাজ্যিক চৰকাৰে খোৱা পানীৰ কাৰণে নানান আঁচনি লৈছিল সেই আচনিত বহুত টকা খৰছো কৰিলে উদাহৰণ স্বৰূপে মোৰ সমষ্টিতেই দৰকা বুলি ঠাই এখন আছে তাতেই খোৱা পানীৰ আঁচনি লৈ একলাখ টকা খৰছ কৰি কিছু কামো কৰিছিল কিন্তু সেই খিনি টকা

এনেয়ে অপচয় হল আৰু তাৰ কোনো ফলৱতী ব্যৱস্থা নললে। মই ভাৱো সেই ধৰণৰ টকা অপচয় হব নালাগে। এই খোৱা পানীৰ অভাৱতেই শতকৰা ৬০ ভাগ মানুহ পেটৰ বেমাৰত ভুগিছে। অকল গাওঁ অঞ্চলতেই নহয় নগাওঁ চহৰটো ইয়াৰ বিশেষ ব্যৱস্থা লবলৈ চৰকাৰে চকু দিব বুলি আশা কৰিছো। মই বিশেষ কব নিবিছাৰো আৰু এটা কথা কৈয়েই সামৰণি মাৰিম। সেইটো হল ৰাজ্যপাল মহোদয়ে আমাৰ দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ সলনি হৈছে বুলি কৈছে। ১৯৭১ চনৰ পূৰ্ব্বাঞ্চল (পুনৰ গঠন ) আইন সংসদত গৃহীত হোৱাৰ পাচত এই আইন অনুসৰি মেঘালয়, অৰুনাচল, মিজোৰাম আৰু Tripura মনিপুৰ কেন্দ্ৰ শাসিত ৰাজ্য হল। অধ্যক্ষ মহোদয়, সেই বিষয়ৰ কথাটো সদনত বহুবাৰ আলোচনা হৈছে। এই বিষয়ে সদস্য সকলে যি মতামত দাঙি ধৰিছে যি পৰা-মৰ্শ দিছে সেই বিলাকৰ লগত ময়ো একমত। অসমৰ ৰাজনৈতিক পৰিস্থিতি, অসমৰ ভৌগলিক পৰিস্থিতিৰ পৰিবৰ্ত্তন ঘটাৰ লগে লগে আমাৰ অসমৰ সভ্যতা আৰু সংস্কৃতিৰো বিপৰ্য্যয় ঘটিছে বুলি কব খুজিছো। অধ্যক্ষ মহোদয় আপুনি জানে, অসমৰ সভ্যতা টাই-চীন, দ্ৰাবিড় তিৰ্ব্বতী বাসী, অষ্ট্ৰো-এছিয়াটিক জাতিৰ আগমনত আমাৰ সভ্যতা সংস্কৃতি গঢ়ি উঠিছিল। এতিয়া সেই সভ্যতা আৰু সংস্কৃতিৰ বিপৰ্য্যয় হৈছে। সেই বাবে আমাৰ চৰকাৰে আৰু মাননীয় সদস্য সকলে এই বিষয়ে বিশেষ চিন্তা কৰিব বুলি আশা কৰিছো। বিশেষকৈ Plain Tribal Council লোক সকলৰ কথা কোৱা হৈছে। সেই বিলাক ৰাইজে যি অভাব অসুবিধাৰ কথা প্ৰকাশ কৰিছে সেই কথা বিলাক ৰাজ্যিক চৰকাৰে বিবেচনা কৰি এই অশান্তি বিলাক দুৰ কৰি শান্তিৰ পৰিবেশ সৃষ্টি কৰিব বুলি আশা ৰাখিছো।

## ADJOURNMENT

The House then adjourned for lunch till 2 P.M.

(The House reassembled at 2. P. M. with Mr. Speaker in the Chair)

### Report of the Business Advisory committee

Mr. Speaker: I have an announcement to make. Under Rule 230 of the Rules of Procedure & Conduct of Busi-

ness in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee in my Chamber during lunch-break to-day.

The Committee decided that the House will break today at 4. 30 P. M. for tea and meet again 5 P. M. so that the Debate on the Governor's Address may continue till 6 P. M. On Saturday, 8th April 1972, after the Questions and calling Attention Notice, if any, the Chief Minister will reply to the Debate on the Governor's Address.

After the Chief Minister's reply, the House will stand prorogued.

I hope this has the approval of the House.

Is it the sense of the House? (Voice-Yes)

Shri Giasuddin Ahmed : Mr. Speaker, Sir, I support the amendment on the thanks giving motion regarding the Governor's Address. Sir, in the Governor's Address, the question of Bangla Desh was mentioned but the fundamental thing concerning the revolution in Bangla Desh has not been mentioned. The Hon'ble Member Mr. Rabin Goswami has rightly observed, as I remember, that in Bangla Desh it was not really a military victory of the Libaration Force or our Army but it was a victory of principles. Sir, as you know, this subcontinent was partitioned on the basis of two-nation theory which has been proved to be false and ineffective. The future of this Sub-Continent depends on democracy and secularism. I should say that the greatest victory in Bangladesh was really the victory

gements for providing water for cultivable land, crops could not be grown as a result our poor cultivators had to suffer a lot and they had to live without food continuously for 2/3 days. So our Govt. should provide irrigation facilities to our poor cultivators and I hope that good manures, fertilisers seeds will be provided to the cultivators in time so that the cultivators can utilise these products properly and in proper time. If this is done the cultivators will be greatly helped in growing more food crops in their limited lands and will live a happy life which will lead to ultimate success,

Sir, the Brahmaputra Flood Control Commission was constituted in Assam in order to investigate and to control the river Brahmaputra and its tributaries. Here, I should like to point out that in North Kamrup region there are some rivers which are very furious and particularly in my Sorbhog Constituency the Beki, Nalzora, Hakua and Bholpuadeve rivers behave in a terrible manner since 1962 uprooting thousands of families. Therefore, I draw the serious attention of the Government in this respect so that immediate adequate measures are taken up in order to save the lives of the poor people.

With regard to supply position, Sir, there is criticism everywhere. The scarcity of sugar and kerosene and increasing food prices of different food products really have made the living of common people quite impossible. This position should be improved as early as possible.

Then, Sir, with regard to education I would like to say

that as Education is a State subject, it is the responsibility of the State to improve the system of education in relation to social needs. I hope our Government will pursue a definite policy to bring some of the schools and colleges under defeit system of grants according to seniority provided all conditions are satisfactory because many such schools and colleges have been suffering for the last 12 years. Therefore, due consideration should be given in this respect Mr. Deputy Speaker, Sir, we do not support the increasing number of schools and colleges which are coming up in our present State but it is also true that we cannot avoid it and I think that in a democracy both qualitative inprovement and quantitative expansion of the educational system are helpful of course we should give importance to the establishment of Engineering, Agricultural and Vocational institutions rether than academic institutions in order to give vocational bias to our younger students so that they can stand on their own footing and they can get the employment just after the end of their education.

Sir, I find that for the reconstruction of the secondary education a Commission be named Mudaliar Commission was set up in 1952 and it submited its report in 1953. The Commission gave valuable recommendations for the reconstruction of the secondary education. One of the recommendations was to implement and introduce diversified courses in the curriculum. I think this diversified curriculum is very helpful for the students for ensuring all round development. But I find that the courses in the higher secondary

standards is so over-crowding that our students cannot cope with the course. I think, arrangements should be made in such a way that these courses are not over-crowded and the course should be introduced according to the age, aptitude and ability of the students.

Mr. Deputy Speaker : Sir, I am not going you speak much. I do hope that along with education cultural side of the students should be encouraged by the Government which is helpful for the mental development of the children. I am really very happy to find in the address that Cultural Affairs has been separated from the Department of Information & Public Relations. I think, our Cultural Wing will help our young artists by providing more scholarships to go abroad and leave them free to develop their own art. I hope, the Cultural Affairs Wing will help the Cultural organisations which are existing in our State.

Last of all, in support of my colleague Mrs. Goswami, I am really also feeling very unhappy that there is no mention in the address about the measures to be taken for the improvement of the welfare organisations of the State. So, I appeal and draw the attention of the Government to take up some measures so that children's welfare, youth welfare and women welfare organisations are developed.

With these few words I come to end of my speech. Thank you, Sir.

Shri Premodhar Bora : উপাধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষনটো পঢ়ি দেখিলোঁ। যে প্ৰায় আগৰ দৰেই আছে, বিশেষ একো পৰিবৰ্ত্তন হোৱা দেখা

নাপালোঁ। ওপৰৰ বেটুপাত ৰঙীন; পূৰনি ধৰণেৰে বাহিৰত অলপমান ৰংচঙীয়া বেটুপাতৰ সৈতে কথা খিনিও একে।

অৱশ্যে এইবাৰ বিধান সভাখন অলপ ভাল লাগিছে। যিহেতু বহুতো নতুন মাননীয় সদস্যই বহুতো আশা আকাঙ্খালৈ এই বিধান সভাৰ মজিয়ালৈ আহিছে আৰু যিবিলাক কথা- বতৰা বা আলাপ আলোচনা কৰিছে, সেইবিলাকো সকলো পক্ষৰে প্ৰায়েই একে ধৰণৰ। আমি আশা ৰাখিছো যে মাননীয় সদস্য সকলে এই বিধান সভাৰ মজিয়াত যিখিনি কথা ব্যাখ্যা কৰিলে সেই বিলাকৰ সামঞ্জস্য ৰাখি যাতে আঁচানিবোৰ লোৱা হয় ঠিক তেনেধৰণৰ এখনি বাজেট এই বছৰত পাওঁ সেইটোৰেই সকলোৰে আশা।

ৰাজ্যপালৰ ভাষণটো পঢ়ি মোৰ এনেকুৱা লাগিছিল যেন বহুত দিনৰ পৰাই ইয়াত থাকিও ৰাজ্যপাল ডাঙৰীয়াই এই ৰাজ্যখনৰ বাস্তৱ কথা বিলাক উপলব্ধি কৰিব নোৱাৰিলে। আমাৰ এই স্বাধীন দেশখনৰ যি শিক্ষানীতি সেই শিক্ষানীতিৰ যে আমোল পৰিবৰ্ত্তনৰ আৱশ্যকতা আছিল সেই বিলাকৰ কোনো ইঙ্গিত ইয়াত নাই। নিবনুৱা সমস্যাৰ বিষয়ে তেখেতে কোনো ঠাইৰেই পৰিলক্ষিত আঁচনি দাঙি ধৰিব নোৱাৰিলে। উত্তৰ পূৱ অঞ্চল পুনৰ গঠনৰ নিচিনা এটা পৰিষধৰ কোনো কথাৰ আভাষ নিদিলে যাক লৈ কেইবাটাও সৰু সৰু ৰাজ্য অন্তৰ্ভূৰ্ক্ত কৰিছিল।

কেইবাখনো ৰাজ্যৰ ৰাজ্যপাল হৈ ইয়াত নগালেণ্ড সীমান্তৰ বিষয়ে যিটো উদ্বেগ প্ৰকাশ কৰিছে আনবিলাক বিধান সভাতো সেইদৰে উদ্বেগ প্ৰকাশ কৰিছে; কিন্তু মিমাংশাৰ কোনো সূত্ৰ উদ্ভাৱন কৰা নাই। আজি শ্ৰীটেৰন চাহাবে কৈছে যে ১৯৫১ চনতে নিদ্ধাৰন কৰা সীমাৰ কিছুমান অংশ মেঘালয়ৰ অন্তভুক্ত কৰিব খুজিছে। গতিকে অধ্যক্ষ ডাঙৰীয়া মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে আমাৰ ৰাজ্যৰ এই কথা বিলাক কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি গোচৰলৈ আনক আৰু গভৰ্ণৰ বাহাদুৰৰ কথা বিলাকো কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি গোচৰলৈ আনক।

আজি আমাৰ পুৰ্ব্বাঞ্চস পৰিষধৰ ৰাজ্যকেইখনলৈ চাই কেন্দ্ৰীয় চৰকাৰে কি কৰিব বিচাৰিছে। যদি কেন্দ্ৰীয় চৰকাৰে আমাৰ প্ৰকৃত অভিভাৱক হয় তেনে-হলে ইমানদিনে সুদীৰ্ঘকাল একেলগে বসবাস কৰা পৰ্ব্বত ভৈয়াম কিয় আজি বেলেগ হবলৈ পালে? কেন্দ্ৰীয় চৰকাৰে আজি আমাৰ মাজত সাম্প্ৰদায়িক মনোভাৱ

সৃষ্টি কৰি নগালেণ্ড; মনিপুৰ ত্ৰিপুৰা, মিজোৰাম আৰু অৰুনাচল আদি সৃষ্টি কৰিছে। অভিভাবক হিচাবে হৈ কেন্দ্ৰীয় চৰকাৰে আমাক ভাগ ভাগ কৰি দিলে— ইংৰাজৰ দিনৰ Divide and Rule ৰ কথা সকলোৰে জানে; কিন্তু আজি ৰাজ্যপালে এই পূৰ্ব্বাঞ্চল পৰিষদৰ কথা কিয় উল্লেখ নকৰিলে ?

আমাৰ মাননীয় সদস্য শ্ৰীমতী তৰুলতা বৰাই কৈছে যে আজিও আমাৰ উত্তৰ সীমান্তৰ সীমা নিৰ্দ্ধাৰণৰ কাম এতিয়ালৈকে ঠিক হোৱা নাই। অধক্ষ্য মহোদয়, মই আপোনালোকৰ জৰিয়তে মূখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে তেখেতে যি উদ্যম লৈ নতুন মন্ত্ৰীসভা গঠন কৰিছে সেই উদ্যমেৰে নতুন মূখ্যমন্ত্ৰী হিচাপে তেখেতে পোন প্ৰথমতে এই সীমা বিবাদৰ কাম নিষ্পতি কৰক। Assam survey party যদি দৰ্কাৰ হয় আৰু সৰহ সংখ্যক চাৰ্ভেয়ৰ লওক—তাত আমাৰ আপত্তি নাই; কিন্তু সৰহ সংখ্যক দৰ্কাৰ হলেও সেই খিনি লৈ প্ৰথমতে চাৰিসীমাৰ কাম ঠিক কৰি লওক— ।

ৰাজ্যপাল ডাঙৰীয়াই বাংলাদেশৰ কথা উল্লেখ কৰিছে আৰু আমাৰ মাননীয় সদস্য বহু কেইজনেও বাংলাদেশ স্বাধীন হোৱাৰ সকলো ৰকমৰ কথা কৈছে; কিন্তু বাংলাদেশ স্বাধীন হোৱাৰ পাছতো যে লাখ লাখ ভগনীয়া আমাৰ অসম মাতৃৰ বুকুত বসবাস কৰিব লাগিছে সেই বিলাক ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰা নাই। আনফালে বাংলাদেশ স্বাধীন হোৱাৰ পাছত তেওঁলোকে নিৰ্ব্বিবাদে আহি আছে; কিন্তু আমাৰ জনসাধাৰণে জানো সেইদৰে পাকিস্থান, ভূটান বা নেপালত সোমাব পাৰিব ? আজি বাংলাদেশৰ ক্ষেত্ৰত কিয় passport ৰ অভাৱ হল। মই ইয়াকো জানো যে বহুতো camp ত নথকা ভগনীয়া আমাৰ উত্তৰ লক্ষীমপুৰত আছে। এই ক্ষেত্ৰত মই মূখ্যমন্ত্ৰী মহোদয়ক কওঁ যে অনতি পলমে সেইবিলাক বাহিৰ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হওক আৰু তাৰ কাৰ্য্যকৰী ব্যৱস্থা হাতত লওক।

উপাধ্যক্ষ ডাঙৰীয়া আজি আমি কি দেখিছোঁ। এই কৃষি প্ৰধান ৰাজ্যত আচলতে অৰ্থনৈতিক অৱস্থাটো কৃষিৰ ওপৰতেই নিৰ্ভৰ কৰে এই কথা আমি সকলোৱে জানো। আমাৰ এই সদনৰ মজিয়াতেই সৌৱা মহামানৱ মহাত্মা-গান্ধীৰ ছবি দাঙি ধৰিছে আৰু প্ৰধান মন্ত্ৰীৰ ছবিও আছে। কিন্তু মহামানৱ মহাত্মাগান্ধীয়ে আমাক কি শিকাইছিল। তেখেতে অহিংসা, ত্যাগ আদি শিকোৱা নাছিল জানো ? আৰু দৰিদ্ৰতা নিয়ন্ত্ৰণৰ বাবেও দেশবাসীক আহ্বান কৰিছিল ;

কিন্তু আজি আমি কি লৈছোঁ, দৰিদ্ৰতা কমাইছোঁ নে বঢ়াইছোঁ ? যিখন ৰাজ্যত শতকৰা ৮০ জনেই খেতিৰ ওপৰত জীৱিকা নিৰ্ব্বাহ কৰে। গতিকে অৰ্থনৈতিক গাঠনিত যদি কৃষকৰ অৱস্থা উন্নত কৰা নহয় তেন্তে দৰিদ্ৰতা দূৰ হোৱা আশা কৰিব নোৱাৰি।

ৰাজ্যখনৰ অৰ্থনৈতিক গাঠনি কৃষক সকলৰ উন্নতিৰ ওপৰত নিৰ্ভৰ কৰে। মাননীয় মূখ্যমন্ত্ৰীক অহা অধিবেশনৰ কাৰণে এখন সুচিন্তিত বাজেট ডাঙি ধৰিবলৈ অনুৰোধ কৰিলো। স্বাধীনতাৰ ২৫ বছৰৰ পাচত আজি কৃষক সকলৰ কাৰণে কি কৰিছে কৃষকক মাটি দিব পাৰিছেনে আজি চৰকাৰৰ বন্দবস্ত নীতিটো হল আইনত বেআইনি আৰু বেআইণত আইন। আজি কিছুমান মানুহে জুৰজুলুম কৰি grazing ত বেআইনিভাবে মাটি দখল কৰি আছে আনহাতে ভূমিহীন সকলে আইনমানি চলি আছে। Advisory committee এ ভুমিহীনৰ যিখন list কৰিছে সেইখনে সেইমতে মাটি দিব পৰা নাই। আজি ২৫ বছৰে দুখীয়া মানুহবিলাকে অৰ্দ্ধহাৰে অনাহাৰে জীয়াতু ভূগিছে। মহাত্মাগান্ধীয়ে ১৫ বছৰ আগতে দৰিদ্ৰ লোক সকলৰ কাৰণে আত্মাৎ স্বৰ্গ কৰিবলৈ কৈছিল আজি এই ২৫ বছৰে সেই লোক সকলে অনাহাৰে থাকিব পাৰেনে যিবিলাকে নিজে নিজে খেতি কৰিছে তেওঁলোকক সচ দিব পৰা নাই কঠিয়া সিচিবৰ সময়ত পানী যোগান দিব পৰা নাই পোক নিবাৰণৰ দৰব দিব পৰা নাই। আনহাতেদি ১৯৬৪ চনৰ পৰা ১৯৭২ চনলৈকে ধানৰ দাম একেই আছে ধানৰ দাম নিয়ন্ত্ৰণ কৰিব পৰা নাই। ৰাস্ত্ৰা ঘাটৰ অভাৱত গাওঁ অঞ্চলৰ বাইজে ২/৩ টকা কমতে ধান বিক্ৰি কৰিব লগা হৈছে। যাতায়তৰ কোনো ব্যৱস্থা কৰিব পৰা নাই। আনহাতে কৃষকৰ অৰ্থনৈতিক সমতা ৰক্ষা কৰি নিত্যপ্ৰয়োজনীয় বস্তুৰ দাম আজিলৈকে ৰোধ কৰিব পৰা নাই গতিকে বাকী বিলাক বস্তুৰ দাম যেনেকৈ বঢ়াইছে ধানৰ দামো কোনো কোনো সীমা নিদ্ধাৰণ নকৰি যেনেকৈ বিক্ৰি কৰিব পাৰে কৰক। গতিকে ধানৰ দাম নিদ্ধাৰণ কৰিলে সকলো বস্তুৰে নিদ্ধাৰণ কৰিব লাগে।

শিক্ষা ক্ষেত্ৰত স্বাধীন দেশৰ পৰাধীন মনোবৃত্তি চলি আছে। গতিকে এখন স্বাধীন দেশৰ স্বাধীন চিন্তা কৰিবলৈ হলে শিক্ষাৰ মৌলিক পৰিবৰ্ত্তন কৰিব লাগিব। আজি শিক্ষাৰ কথা সকলোৱে কৈছে মাধ্যমিক স্কুলৰ কথা কৈছে।

এই বছৰ M. E. স্কুলৰ শিক্ষক সকলে দৰমহা নাপালে। ৩১ মাৰ্চ্চলৈ তেওঁলোকে বাট চাই আছিল। গতিকে এইবিলাক সোনকালে তুৰ কৰিব লাগে। কাৰণ যি সকলেই ভৱিষ্যত শিক্ষাৰ ধৰনীস্বৰূপ, যি সকলেই ভৱিষ্যতৰ ভেটি গঠন কৰিব সেই শিক্ষক সকলৰ প্ৰতি যাতে উচিত ব্যৱস্থা লয়। যাতে তেওঁলোকে আজিৰ সমাজত ভবিষ্যতৰ সমাজত স্পষ্ট শিক্ষা নীতি নিদ্ধাৰণ কৰিব পাৰে। ইয়াৰ কাৰণে মই নতুন চৰকাৰক অনুৰোধ জনালো।

আজি আমাৰ নিবনুৱা সমস্যাৰ কথা দাঙি ধৰিছো। আজি অসংখ্যলোক নিবনুৱা হৈ আছে ৰাজ্যপালৰ ভাষণত কৈছে বহুত বিলাক Industry হৈছে উদ্যোগ হৈছে আৰু বহুত হব। কিন্তু আমাৰ কি হৈছে? আমাৰ ৰাজ্যখনৰ পৰা ভাল খনিজ তেল সম্পদ উলিয়াইছে, আনত শোধনাগাৰ পাতিছে। অসম চৰকাৰে কিয় কব নোৱাৰে যে উত্তৰ প্ৰদেশৰ চেনি কলৰ কাৰখানা অসমত হব লাগে। অসম ৰাজ্যৰ খাৰুৱা তেল তাৰ শোধনাগাৰ কিয় বিহাৰত হব লাগে? এই বিলাকৰ যুক্তি যুক্ততা বিচাৰি মই নৱাগত মূখ্যমন্ত্ৰী মহোদয়ক জনাই থলো। যি কেইটা উদ্যোগ হৈছে, অধ্যক্ষ মহোদয় আপুনি শুনি সুখি হব যোৱা সদনত আমাৰ House ত এখন কমিটি পাতি দিছিল, কিমান public আৰু private Industrie ত কিমান মানুহ নিয়োগ কৰা হৈছে আৰু কিমান থলুৱা লোকক নিযুক্তি কৰা হৈছে সেইটো চাবৰ কাৰণে। শুনি আচৰিত হব যে অসম ৰাজ্যত যি কেইটা উদ্যোগ ইতিমধ্যে ৰাজহুৱা খণ্ডত গঢ়ি উঠিছে তাত আমাৰ থলুৱা লোকৰ নিযুক্তিৰ সংখ্যা ৯% ভাগ। গতিকে আমাৰ এই উদ্যোগ বিলাক হোৱাৰ পৰা লাভ কি? আমাৰ অমূল্য সম্পদৰাজী উদঘাটন কৰি আমাৰ ইয়াত উদ্যোগ স্থাপন কৰে আৰু আমাৰ ৰাজ্যৰ থলুৱা মানুহৰ নিযুক্তিৰ সংখ্যা হল ৯%। আমাৰ থলুৱা যুৱকৰ কৰ্ম্ম সংস্থানৰ কাৰণে যদি উদ্যোগ নহৈ কোনোবা পুজীপতি সকলৰ লাভৰ কাৰণে অসমৰ বাহিৰৰ মানুহ আমদানি কৰিবৰ কাৰণে যদি এই উদ্যোগ হয় তেন্তে তেনে উদ্যোগ আমাক নালাগে। অধিক সম্পদেৰে অৰ্থৰে আৰু আমাৰ উপযুক্ত কাৰিকৰেৰে উদ্যোগ কৰক। আমাৰ শিক্ষিত নিবনুৱাৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে আৰু চাকৰী নোপোৱাৰ বাবে বহু অসুবিধাত পৰিছে। গতিকে আমাৰ শিক্ষিত লৰা ছোৱালীৰ কাৰ্য্যকাল চাকৰী নোপোৱা পৰ্য্যন্ত আৰু পাঁচ বছৰ বঢ়াই দিব লাগে। যেনেকৈ মহাৰাষ্ট্ৰ, বিহাৰ আদিত

কৰিছে। আমাৰ Employment State Liason অফিচাৰ জনে একো কাম কৰিব পৰা নাই। আচলতে শুইহে থাকে। 'State Liaison Officers in the past did not attend the interview Boards regularly. Government should send instructions to the public sector projects that the State Liaison Officers must sign both the proceedings as well as the final list of candidate recommended'. এই Liaison Officer জনৰ ওপৰত চকু ৰাখিবলৈ মই মুখ্যমন্ত্ৰীক অনুৰোধ জনালো। মুখ্যমন্ত্ৰী ৺বিমলা চলিহাই কেন্দ্ৰীয় মন্ত্ৰী ত্ৰিগুনা সেনলৈ চিঠি লিখিছিল। তাৰ উত্তৰত ত্ৰিগুনা সেনে লিখিছিল। There are clear cut instructions and directives to our undertakings that in the matter of employment preferences should be given as far possible to the local candidates.' ………… De-recognise…………anticorruption

কেন্দ্ৰীয় মন্ত্ৰীৰ এই চিঠিৰ পৰা বুজিব পাৰিছো যে Public Sector ৰ যিবিলাক Industry তেখেতে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ অবমাননা কৰিছে।

বানপানীৰ কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। এতিয়া ব্ৰহ্মপুত্ৰ কমিচনটো আমাৰ কাৰণে বগাহাতী হৈছে। লাও কোমোৰা আনি সোমোৱাইছে; কিন্তু আজি আঢ়ৈ তিনি বছৰে কাম একো হোৱা নাই। কোমোৰা যেনেকৈ নিসিজি উপঙি থাকে, ঠিক সেই ধৰণে ব্ৰহ্মপুত্ৰ কমিচনৰ কোমোৰা চাহাবো উপঙি আছে। মাহে ১৫ লাখ টকা খৰছ হৈ আছে, অথচ কাম একো হোৱা নাই। আনকি মথাউৰি বিলাকো repair নোহোৱা হল। ব্ৰহ্মপুত্ৰ কমিচন হোৱাত আমি আশা কৰিছিলো আমাৰ নদী বিলাক নিয়ন্ত্ৰণ হব, ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধ হব আৰু লুইতৰ পাৰৰ মিচিং আদি জনজাতি লোক-সকলে নিৰাপত্তা পাব। আজিলৈ প্ৰতিমাহে ১৫ লাখকৈ খৰছ হৈ আছে কিন্তু কাম হলে একো হোৱা নাই।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ অভিভাষণত ৰাজধানী স্থানান্তৰৰ কথাটো নাই, এইটো পৰিতাপৰ বিষয়। মুখ্যমন্ত্ৰী নতুনকৈ নিৰ্ব্বাচিত হোৱাৰ পিচত

আৰু বিধান সভা বহাৰ আগতে তেখেতে ঘোষনা কৰিছিল যে ৰাজধানী স্থানান্তৰ কৰা হব। গতিকে সেই ফালৰ পৰা হলেও গৱৰ্ণৰ বাহাদুৰে এই কথাটো উল্লেখ কৰিব লাগিছিল।

Anti Corruption Deptt টো এতিয়া derecognised কৰিবৰ হৈছে। যেনেকৈ স্কুল বিলাকৰ 30% হাৰ নহলে derecognise কৰা হয়, ঠিক তেনেকৈ 30% কেচ detect কৰিব নোৱাৰিলে Anti Corruption Deptt টো derecognise কৰিব লাগে। এইদৰে কৰিলে ১৫ হাজাৰ মান টকা ওলাব। In the month of May/June, 1966 fresh ration to the 4th Assam Batalian was supplied due to destruction by rain and land slide.

গতিকে এই 4th Battn. ক দিয়া চাউল খিনিৰ কথাটো চাব লাগে— অলপ অনুসন্ধান কৰি চালেই আকৌ এই ১৫ হাজাৰ টকা ওলাব। এই ঠিকাদাৰ জনৰ নাম জয়পাল গুপ্ত। ১৯৬৬ চনত যিটো quota আছিল সেইটো পঠোৱা নহ'ল Rail line ভঙাৰ কাৰণে, Indirect কৈ পইচাখিনি উলিয়াই ললে গতিকে অনুসন্ধান কৰিলে পইচা খিনি ওলাই পৰিব।

মই বহুমূলীয়া সদনৰ বহুমূলীয়া সময়ৰ আৰু বেচি সময় নষ্ট নকৰি আমাৰ মুখ্যমন্ত্ৰীয়ে যি হেতু চাৰিওফালৰ পৰা প্ৰশ্নৰ সন্মুখীন হব লগা হৈছে আৰু তেখেতেওঁ আন্তৰিকতাৰে সমাজবাদ বুজি পাইছে গতিকে মই ভাবো তেখেতে আন্তৰিকতাৰে পৰিলক্ষিত চিন্তা ধাৰাৰে কাম কৰিলে আমাৰ দেশখন অচিৰেই নদন বদন হৈ আহিব। তেখেতে যেন এই সকলোবোৰ অসমৰ সমস্যা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উপস্থাপন কৰিব পাৰে তাৰে কামনা কৰি মই বক্তব্যৰ সামৰণি মাৰিলো।

(House adjourned for half an hour for refreshment)

Shri Dhurba Barua : মাননীয় অধ্যক্ষ মহোদয় ; ৰাজ্যপালৰ ভাষণৰ ওপৰত ৰবা ভাঙৰীয়াই দাঙি ধৰা প্ৰস্তাৱত মই সমৰ্থন জনাইছোঁ। কিন্তু এই প্ৰসঙ্গতে কেইটামান কথা চৰকাৰৰ দৃষ্টি গোচৰ কৰিব খোজোঁ কাৰণ ৰাজ্যপালৰ ভাষণত এই কথাৰ উল্লেখ নাই।

ৰাজ্যপালে যোগীঘোপাত কাগজৰ কল আৰু বঙ্গাইগাওঁত পেট্ৰোকেমিকেল কমপ্লেক্সৰ ভিত্তি স্থাপন হোৱাৰ কথা উল্লেখ কৰিছে আৰু ইয়েই স্থানীয় ৰাইজৰ উপকাৰত আহিব বুলি আশা প্ৰকাশ কৰিছে। কিন্তু কাগজৰ কল আৰু Petr-cchemical ত চাকৰি নাপালে বা এই উদ্যোগবোৰৰ পৰা উদ্ভৱ হোৱা অৰ্থ-নৈতিক ক্ষেত্ৰসমূহত (Economics avenues) আমাৰ স্থানীয় মানুহে সুবিধা নাপালে তাৰ দ্বাৰা স্থানীয় মানুহৰ কোনো উপকাৰ সাধিত নহব। এই বোৰত বিশেষকৈ নিয়োগ নীতি ৰাজ্যপালৰ ভাষণত প্ৰতিফলিত হোৱা নাই।

শ্ৰীশৰ্ম্মা ডাঙৰীয়া যেতিয়া উদ্যোগ মন্ত্ৰী আছিল তেতিয়া কাগজৰ কলৰ ভিত্তি স্থাপন কৰাৰ পাছত তেওঁক অনুৰোধ কৰা হৈছিল যাতে স্থানীয় মানুহে এই কলৰ দ্বাৰা উপকৃত হব পাৰে আৰু চাকৰিত স্থানীয় লৰাছোৱালীয়ে, অগ্ৰাধিকাৰ পায়। সেই উদ্দেশ্যে এখন বোৰ্ড গঠন কৰিবলৈকো পৰামৰ্শ আগ-বঢ়োৱা হৈছিল যি বোৰ্ডৰ chairman জন স্থানীয় খ্যাতিসম্পন্ন মানুহ হব লাগিব যাতে স্থানীয় স্বাৰ্থ ৰক্ষা হয়। এই কথাটো নীতিগত ভাৱে শৰ্ম্মা ডাঙৰীয়াই মানি লৈছিল কিন্তু পৰামৰ্শ আগবঢ়োৱা মতে কোনো বোৰ্ড গঠন কৰা নহল ফলত মাজে সময়ে যি দুই চাৰিজন কৰ্ম্মচাৰী লোৱা হৈছে তেওঁলোকৰ সৰহ ভাগেই বাহিৰৰ পৰা অহা মানুহ হেতুকে স্থানীয় ডেকাসকলৰ মাজত এটা অশান্তিয়ে দেখা দিছে। এই পৰিস্থিতিৰ আমি সন্মুখীন হব লগা হৈছে।

বঙ্গাইগাওঁত Petrochmical Complex ৰ ভিত্তি স্থাপনহৈ গৈছে। কিন্তু যি দেখিবলৈ পাইছোঁ তাৰ পৰা আমাৰ ভয় হৈছে যে, অসমত আন আন কেন্দ্ৰীয় চৰকাৰৰ অফিচৰ চাকৰিৰ দৰেই এই উদ্যোগতো আমাৰ স্থানীয় লৰাই সুযোগ পোৱা টান হব। ৰেলৱেত চাকৰি খালি হলে আলিপুৰ দুৱাৰৰ পৰা বদলি কৰি আনি পূৰণ কৰা হয় আৰু আলিপুৰ দুৱাৰত খালি ঠাইত নতুন নিয়োগ দিয়া হয়। আজি বঙ্গাইগাওঁৰ Petrochmical complex টো বৰোদাত Register হৈছে অৰ্থাৎ বৰোদাৰ মূল অফিচতে মানুহ নিয়োগ কৰি ইয়ালৈ পঠাব। Gauhati Refinery তো তেনে কৰা হৈছিল এনেদৰে স্থানীয় লৰাছোৱালীক কামৰ পৰা বঞ্চিত কৰাৰ আশঙ্কা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই বঙ্গাইগাওঁৰ প্ৰেট্ৰোকেমিকেল কমপ্লেক্সৰ

কথাটো কৈছিলো। মোৰ কবলগীয়া এয়ে যে, স্থানীয় প্ৰাৰ্থীয়ে এই উদ্যোগত যথাযোগ্য স্থান পাব লাগিব। আজি তিনি মাহৰো অধিক হৈ গ'ল, কি ভেটি স্থাপন হৈছে; এতিয়াৰে পৰা কেনে ধৰণৰ চাকৰি ওলাব তাৰ এটা হিচাব লৈ স্থানীয় উপযুক্ত ল'ৰা নিয়োগ কৰি আৱশ্যকবোধে বিদেশলৈ প্ৰশিক্ষনৰ বাবে পঠিয়াই দিব লাগে যাতে কাম আৰম্ভ হোৱাৰ সময়ত সেই বিলাক ল'ৰা কামত নিয়োগ কৰা যায় নহলে, কাম আৰম্ভ হোৱাৰ সময়ত স্থানীয় উপযুক্ত ল'ৰা নোহোৱাৰ অজুহাত দেখুৱাই বাহিৰৰ মানুহ লৈ আহিব। আমি প্ৰথম অৱস্থাত বাহিৰৰ মানুহক অনাত আপত্তি নকৰো যদি সেইবোৰ মানুহ ২/৩ বছৰৰ কাৰণে ঠিকা হিচাবে ( Contract Service) লৈ অনা হয়, যাতে আমাৰ ল'ৰা প্ৰশিক্ষন লোৱাৰ পিচত তেওঁলোক নিজৰ ঠাইলৈ উভটি যাব পাৰে। গতিকে মই চৰকাৰৰ দৃষ্টি আৰ্কষন কৰিছো যাতে এই বিষয়ত যথাযথ ব্যৱস্থা গ্ৰহন কৰে।

অধ্যক্ষ মহোদয়, উন্নয়নৰ ক্ষেত্ৰত বৈষম্য দুৰ কৰিবৰ কাৰণে আমি প্ৰতিশ্ৰুত এই বৈষম্য কেনেকৈ দুৰ কৰা হব তাৰ ইঙ্গিত ৰাজ্যপালৰ ভাষনত নাই। সদস্য সকলে জানে যে গোৱালপাৰা জিলাখন ভাৰতৰ ভিতৰত অ টাইতকৈ পিচপৰা জিলা হিচাবে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে স্বীকাৰ কৰিছে। কিন্তু, এইখন জিলাক আন আন জিলাৰ সমপৰ্য্যায়লৈ অানিবলৈ যি অাঁচনিৰ ব্যৱস্থা কৰিব লাগিব তাৰ কোনো ইঙ্গিত ৰাজ্যপালৰ ভাষনত নাই।

আজি গোৱালপাৰা জিলাৰ জনমুৰি আয় ভাৰতৰ ভিতৰত সৰ্ব্বপেক্ষা কম। কিন্তু চৰকাৰে জনমুৰি যি খৰচ কৰে সেই খৰচো এই জিলাত কম। পৰিকল্পনাৰ টকা গোৱালপাৰাত আটাইতকৈ কমকৈ খৰচ কৰা হয়। অতীতৰে পৰা আমাৰ চৰকাৰে এই বৈষম্য দুৰ কৰিবলৈ যত্নপৰ হোৱা নাছিল, সেই কাৰণেই এনে অৱস্থা হবলৈ পালে। বৈষম্যৰ ২/৩ টা উদাহৰণ দাঙি ধৰিব খুজিছো। গোৱালপাৰা মাজেৰে আলগা নামেৰে ব্ৰহ্মপুত্ৰৰ বুকুত এটাচৰ আছে মাজুলীৰ দৰে, এই অঞ্চলত পোন্ধৰ হেজাৰো অধিক মানুহ কাম কৰে। কিন্তু এই খিৰাট জনসংখ্যাৰ কাৰণে কোনো ডাক্তৰ খানা নাই এখন হাইস্কুল নাই। শান্তি ৰক্ষণৰ কাৰণে এটা আৰক্ষী চকী নাই। সেই কাৰণে ময়েই ডেকা ল'ৰা সকলক আগবাঢ়ি আহিবলৈ কৈছিলো। সম্প্ৰতি তাত স্থানীয় শিক্ষিত

ল'ৰা সকলে এখন হাইস্কুল আৰম্ভ কৰিছে কিন্তু চৰকাৰৰ ওচৰত আবেদন জনোৱা স্বত্বেও স্কুলৰ কাৰণে সহানুভূতি সূচক অকনমান অনুমোদন পোৱা নগল। এই অঞ্চলৰ নামত কাগজত এখন Subsidiary Dispensary আছে বুলিও শুনিছো কিন্তু আজিলৈ কোনো মানুহে সেই Dispensary খন ক'ত আছে দেখা নাই। দৰৱৰ কথা দুৰতে থাকক, কিন্তু আচৰিত কথা এইয়ে যে, জিলা অফিচত এই Dispensary ৰ নামত খৰচ লেখা হৈয়েই আছে। আজি এই-সকল লোকে আমাক সমালোচনা কৰিলে আমি তাৰ জবাব দিব নোৱাৰো।

এই খিনি কথা এই কাৰণেই কৈছো, যে বৈষম্য মূলক আচৰনৰ ফলত জিলাখনৰ কেনে অৱস্থা হৈছে। এই পিচপৰা অঞ্চলৰ দিশৰ আঁচনিৰ যোগে আগ-বঢ়াই নিয়াটো চৰকাৰৰ দায়িত্ব বুলিয়েই এই কথাও উল্লেখ কৰিছো। অধ্যক্ষ মহোদয়, মই আৰু বেছি সময় নলওঁ মাত্র এটা কথা কৈ মোৰ বক্তব্য শেষ কৰিম।

গোৱালপাৰাত জমিদাৰী প্ৰথা প্ৰচলিত আছিল আৰু গোৱালপাৰাৰ প্ৰজাস্বত্ব আইন মতে এই জিলাৰ অধিকাৰীৰ ওপৰত প্ৰজাৰ স্বত্ব নিদ্ধাৰিত হৈছিল। এই আইন মতে প্ৰজাই উত্তৰাধিকাৰী আৰু (heritable) হস্তান্তৰ (Transferable) ক্ষমতা পাইছিল। এই অধিকাৰ অতি গুৰুত্বপূৰ্ণ। জমিদাৰী উচ্ছেদ হল কিন্তু এই আইনখন বাতিল কৰা নহল ; আৰু প্ৰয়োগো ভালদৰে কৰা নহল। অসম ভূমি ৰাজহ (নিয়ন্ত্ৰিন) (Assam Land Revenue Regulation Act) আইনখনো এই অঞ্চলত প্ৰয়োগ কৰিলে। ফলত দুখন আইন একে লগে প্ৰয়োগ কৰাৰ কাৰণে বহুতো বেমেজালিয়ে দেখা দিলে। যি সকল ৰাজহ বিষয়া গঠিওৱা হয় তেওঁলোকৰ প্ৰজাস্বত্ব আইনখনৰ (Teuaucy Act) বিষয়ে কোনো জ্ঞান নাই। ফলত উপপ্ৰতি সমাহৰ্তা (S.D.C) আৰু মণ্ডল সকলে মিলি মাটি পট্টনত ভীষন আকাৰে বেমেজালিৰ সৃষ্টি কৰিছে। এখন ঠাইত দুখন আইন একে বিষয়ত চলিব নোৱাৰে। গতিকে চৰকাৰে হয় প্ৰজাস্বত্ব আইনখন বাতিল কৰিব লাগে নহলে অসম ( Land Revenue Regulation ) অসম ভূমি ৰাজহ ( নিয়ন্ত্ৰিন ) আইন খনৰ প্ৰয়োগ বন্ধ কৰিব লাগে। দ্বৈত শাসন চলিব নোৱাৰে।

( সময়ৰ সংকেত )

আজি এই সকল লোকে দ্বৈত্ব শাসনৰ কাৰণে নিকাৰ ভূজিছে। গতিকে তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, মই মাত্ৰ দুটা কথা কৈ শেষ কৰিম। আমাৰ পুলিচ আৰু ন্যায় বিভাগৰ লেহেম গতি আৰু দূৰ্নীতিৰ কথা কব খুজিছো মই এটা উদাহৰণ দিওঁ প্ৰায় দুবছৰমান আগতে বাৰিজানা আঞ্চলিক পঞ্চায়তৰ সভাপতি শ্ৰীমৃতীন্দ্ৰ নাথ দাসক তিনিজন মানুহে সকলোৰে আগত ধৰি মাৰধৰ কৰিলে ফলত তেওঁ মূৰত আঘাট পাই অজ্ঞান হৈ পৰিল আৰু সেই অৱস্থাত Hospital ত ছদিন থকাৰ পিচত তেওঁৰ মৃত্যু হ'ল। এই হত্যাৰ কাৰণে গোচৰ কৰাত পুলিচে এই দুবৃত্ত তিনিজনক নধৰিলে বৰং টকা পইচা লৈ তেওঁ-লোকক আদালতত আত্মসমাৰ্পন কৰিবলৈ পৰামৰ্শ দিলে যেতিয়া আত্মসমাৰ্পন কৰিলে তেতিয়া পুলিছে এনে ধৰণৰ অভিযোগ তুলিলে, যেনিবা তেওঁলোকৰ কোনো ধৰনৰ অভিযোগেই নাই। ৩০২ ধাৰাৰ আচামীক সাধাৰণ ধাৰাত অভিযুক্ত কৰা হ'ল কিন্তু আমি আপত্তি কৰিলো। ফলত D.I.G.P য়ে (সৌভাগ্যবশত: তেওঁ সেইদিনা গোৱালপাৰাত) হস্তক্ষেপ কৰি ৩০২ ধাৰাত অভিযুক্ত কৰিলে।

(সময়ৰ সংকেত)

এয়েই হৈছে আমাৰ পুলিচ। আজি সেই জামিন পাবলগীয়া আচামী কেইজনে জামিনত ওলাই আহি নিৰ্বিৰ্ব্বাদে ঘুৰি ফুৰিছে আৰু সাক্ষী সকলক ভয় দেখুৱাই ফুৰিছে যাতে তেওঁলোকৰ বিপক্ষে সাক্ষী দিয়া নহয়, কিন্তু দুভাগ্যৰ কথা যে আজিও পুলিছে আচামীৰ বিৰুদ্ধে কোনো চাৰ্জচিট দিয়া নাই। Justice delayed is Justice denied আজি ইয়াৰ প্ৰতিকাৰ কোনে কৰে ?

Shri Manabendra Sarma : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই সদনত ৰাজ্যপালে যি ভাষণ দিছে সেই ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীলীলাকান্ত বৰা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাব আনিছে সেই প্ৰস্তাৱ সমৰ্থন কৰি মই দুষাৰমান কব খুজিছো।

ৰাজ্যপালৰ ভাষনত, ৰাজ্যত যোৱা বিত্তিয় বছৰটোত কি কি কাম হ'ল আৰু এতিয়া কি কি কাম কৰিবলৈ লব বিছাৰিছে তাৰ চমু আভাষ দিছে।

আমাৰ মাননীয় সদস্য সকলে যেনেকৈ বিছাৰিছে যে ৰাজ্যপালৰ ভাষণত বহুত কথা উল্লেখ কৰিবলৈ বাকী থাকিল ঠিক তেনেধৰণে আমাৰ সকলো সমস্যা বা সকলো নীতিৰ বিষয়ে এই ভাষণত তেখেতে দিব পৰা নাই। আমি যোৱা সাধাৰণ নিৰ্ব্বাচনৰ সময়ত ৰাইজৰ মাজত যি ধৰণে প্ৰতিশ্ৰুতি দি আহিছো যে আমি যদি জয়ী হৈ যাওঁ তেনেহলে চৰকাৰৰ ওচৰত কি কি কাম কৰিম বা চৰকাৰক কি কি কাম কৰিবলৈ বাধ্য কৰাম সেই প্ৰতিশ্ৰুতিৰ বহুত অংশই ইয়াত তেখেতে উল্লেখ কৰা নাই। অৱশ্যে এইখিনি কৰিবলৈ যথেষ্ট সময়ও লাগিব।

ৰাজপালৰ ভাষণৰ ওপৰত বহুত কথাই কবলগীয়া আছিল কিন্তু অধ্যক্ষ মহোদয়ে সময় বান্ধি দিয়াত গোটেই কথা উল্লেখ কৰা সম্ভৱপৰ নহব। ৰাজ্যপালৰ ভাষণত নগালেণ্ড আৰু অসমৰ সীমা সমন্ধে উল্লেখ কৰিছে। নগালেণ্ড আৰু অসমৰ সীমা সমন্ধে এই সদনত বহুটো আলোচনাই হৈ গৈছে গতিকে মই পুনৰাবৃত্তি কৰিব খোজা নাই। সদনক এইটোৱেই জনাব খুজিছো আমাৰ যি পুৰ্ব্বাঞ্চল আইন গঠন হৈ গল এই আইনৰ পাছত আমাৰ ইয়াত নতুন কেইবাখনো প্ৰদেশ গঠন হল, এই প্ৰদেশ বিলাক গঠন হোৱাৰ পিছত আজিও নগালেণ্ড অসমৰ মাজত যি সীমা বিবাদৰ সৃষ্টি হৈ আছে সেই অৱস্থা যেন অন্যান্য প্ৰদেশ যেনে মেঘালয়, মিজোৰাম, অৰুনাচলৰ লগত নহয় তাৰ কাৰণে এতিয়াৰ পৰাই সাৱধান হৈ থাকিব লাগে কাৰণ এই বিবাদ অসম্ভৱ নহয়। আজি মেঘালয় চৰকাৰে আমাক যি ব্যৱহাৰ কৰিছে এই ব্যৱহাৰৰ পৰা আমি নিশ্চয় জানিব পাৰিছো যে কেইদিনৰ পাচত তেওঁলোকেও সীমাৰ ক্ষেত্ৰটো গণ্ডগোলৰ আৰম্ভ কৰিব।

ৰাজ্যপালৰ ভাষণত দুৰ্নীতি দুৰিকৰণ বিভাগে কিমান কেচ ললে আৰু কিমান খালাচ কৰিলে তাৰ চমু আভাষ আছে। ইয়াত তেখেতৰ ভাষণত কৈছে ১৯৭১ চনলৈকে ৭৮০ টা মকৰ্দ্দমা চৰকাৰে লৈছে আৰু তাৰে ১৫৬টা প্ৰমান কৰিব নোৱাৰিলে। বাকী বিলাক এতিয়াও শেষ কৰিব পৰা নাই। মই এইটো জানিব বিচাৰিছো দুৰ্নীতি দুৰিকৰণ বিভাগে এই কেচ বিলাক বিচাৰ কৰোতে কিয় ইমান সময় লৈছে। দুৰ্নীতি দুৰিকৰণ বিভাগে যি কেচকে ৰোজো নকৰক কিয় বা শাস্তি নিদিয়ক কিয়—কিন্তু হাইকৰ্ট বা আদালতলৈ

যোৱাৰ পাচত তেওঁলোকে কেচৰ পৰা খালাচ পায়। ইয়াৰ কাৰণ হ'ল কেচ বিলাক ৰোজো কৰাতেই Procedurel defect কৰে। মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰক জনাব খুজিছো যিবোৰ অফিচাৰক Departmental Proceedings বিচাৰ কৰিবলৈ দায়িত্ব দিয়া হয় সেই অফিচাৰ সকলে আইন কানুনৰ দিশটোৰ ফাল লক্ষ নকৰে। ফলত হাইকোৰ্ট বা চুপ্ৰিম কৰ্টত Depertmental Proceeding ৰ Procedurel defect ৰ কাৰণে বেচি ভাগ বিচাৰত খালাচ পায়। মই চৰকাৰক অনুৰোধ কৰিছো যি সকল officer ক departmental Proceeding ৰ বিচাৰৰ দায়িত্ব লয় আৰু সেইসকল বিচাৰকৰ বিচাৰৰ Procedural defect ৰ বাবে যদি সেই কেচতে High court ত খালাচ পাই তেনেহলে সেই বিচাৰকক শাস্তি দিয়াৰ ব্যৱস্থা লব লাগে।

মই চৰকাৰক অনুৰোধ কৰিব খুজিছো যে এনেকুৱা এখন আইন কৰিব লাগে যি আইনত যিসকল বিচাৰকে Departmental Proceedings ৰ দায়িত্ব লয় আৰু যাদ হাইকোৰ্ট বা আদালতৰ বিচাৰৰ ৰায়ত Departmental Proceedings ৰ defect ৰ কাৰণে খালাচ পায় তেন্তে তেওঁলোকক শাস্তি বিহাৰ ব্যৱস্থা কৰিব লাগে। Anti corruption ৰ খতিয়ানত দিছে যে বছৰি শতকৰা ১০/২০ টা কেচো বিচাৰ কৰিব নোৱাৰে; ইয়াৰ কাৰণ কি মই বুজিব পৰা নাই। যদি অফিচাৰৰ কামৰ হেচাৰ কাৰণে এই বিচাৰ কৰাত অসুবিধা হয় তেন্তে Tribunal আদি গঠন কৰি হলেও বিচাৰ কৰাৰ ব্যৱস্থা কৰি সোনকালে বিচাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। শিক্ষাৰ বিষয়ত বহুকেইজন সদস্যই বহুতো আলোচনা কৰিছে। মই আৰু বিশেষ কব নোখোজো। আমাৰ প্ৰাইমাৰী স্কুলৰে যে অৱস্থা বেয়া সেইটো নহয়, হাইস্কুল, এম-ই স্কুল আদিৰো অৱস্থা সেই একেই। স্কুলৰ grant দিয়াৰ ক্ষেত্ৰত দেখিছো যে যিবিলাক স্কুলৰ চেক্ৰেটাৰী বা প্ৰেচিডেণ্ট চিলঙত আহি ঘূৰা পকা কৰে সেইবিলাক স্কুলে grant পায়। যিবিলাকৰ মানুহ আহিব নোৱাৰে সেইবিলাক স্কুলে grant নাপায়। যেতিয়া চৰকাৰে এখন স্কুলক স্বীকৃতি দিয়ে, সেই স্কুলখন সম্পূৰ্ণ কৰাৰ দায়িত্ব চৰকাৰৰ আছে। সেই স্কুলৰ ঘৰ-দুৱাৰ আচবাব পত্ৰ আদি সকলোৰে ব্যৱস্থা কৰাৰ দায়িত্ব চৰকাৰে লব লাগে। কোনোবাই আহি ধৰিলে grant

দিয়া হব আৰু নাহিলে grant দিয়া নহয় এই নীতি উঠাই দিয়া উচিত। আৰু চৰকাৰে এটি grant দিয়া সমন্ধে সুস্থ নীতি গ্ৰহন কৰিব লাগে। বৰ্ত্তমান আমাৰ দেশৰ চৰাদামৰ কাৰণে সৰ্ব্বসাধাৰণ ৰাইজে কষ্ট ভোগ কৰিব লগা হৈছে। ৰাজ্যপালৰ ভাষণত চৰা দামৰ কথা উল্লেখ কৰিছে! এই সক্ৰান্তত ব্যৱসায়ী সকলে কয় যে বাহিৰৰ পৰা বস্তু অনাত অসুবিধা হয় কাৰণ সেই বস্তুৰ যোগান ধৰাত বহুত অসুবিধা হয়। ইয়াৰ প্ৰধান কাৰণ হ'ল ব্ৰডগজত অহা বস্তু আকৌ মিটাৰগজত তুলিব লগা হয় ব্ৰডগজত যিমান wagon দৰ্কাৰ হয়। মিটাৰ গজত তাতকৈ দুগুন wagon ৰ দৰ্কাৰ হয়। কিন্তু সিমান মিটাৰ গজৰ wagon supply কৰিব নোৱাৰে তাৰ বাবে যথেষ্ট wagon ৰ আৱশ্যক হয়। যথেষ্ট wagon নথকাৰ বাবে যিমান পৰিমাণৰ বস্তু আনিব লাগে সিমান পৰিমানৰ বস্তু আনিব নোৱাৰে। সেই কাৰণে মই কব খুজিছো যে অতি সোনকালে ব্ৰডগজ লাইন গুৱাহাটীলৈ আনিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা দিব লাগে। তাৰ পিচত এই লাইন তিনচুকীয়ালৈ নিয়াৰ ব্যৱস্থা কৰিব লাগে। যোৱা বাজেট অধিবেশনত ৰেল লাইন সম্প্ৰসাৰণৰ কথাটো আলোচনা কৰিছিল। আমাৰ ইয়াত ব্ৰডগজ ৰেল লাইনৰ কাৰণে ৰাইজে আন্দোলন কৰি আছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে আমাৰ দাবীটো মানি লোৱা নাই। আমাৰ ইয়াত ৰেলৱে ডিভিজন আঁচনিৰ কাৰণে আন্দোলন কৰিছিল আৰু তাৰ নেতৃত্ব আমাৰ মুখ্যমন্ত্ৰীয়ে লৈছিল। তিনিচুকীয়া, লামডিং, ৰঙিয়াত ৰেলৱে ডিভিজন কিয় হোৱা নাই জানিব পৰা নাই। এই বিষয়ত কি ব্যৱস্থা লৈছে মই মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো। আমাৰ শইকীয়া ডাঙৰীয়াই কৈছে যে যুৱক সকলৰ চাকৰিৰ দৰ্খাস্তকৰাৰ কাৰ্য্যকাল ২৫ বছৰৰ পৰা ৩০ বছৰলৈ বঢ়াই দিব লাগে। এইটোত মই একমত। Challan আদি দিয়াৰো ব্যৱস্থা উঠাই দিব লাগে। লগতে মই কব খুজিছো যে আমাৰ ছাত্ৰছাত্ৰী সকলে অহা যোৱা কৰিবৰ কাৰণে যি ধৰণে ৰেলত কনচেচন দিয়াৰ ব্যৱস্থা আছে ঠিক সেই ধৰণে পৰিবহন বিভাগতো কনচেচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Lila Kanta Das : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ

ওপৰত শ্ৰীলীলা কান্ত বৰা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ ডাঙি ধৰিছে তাত মই আন্তৰিক সমৰ্থন দিছো। গতানুগতিক দিশত ৰাজ্যপালৰ ভাষণত আমোলা তান্ত্ৰিক মনোভাৱেৰে পৰিচালিত হোৱা সম্পূৰ্ণকৈ পৰিলক্ষিত হৈছে। কিন্তু নতুনকৈ গঠিত হোৱা চৰকাৰৰ নীতি নিদ্ধাৰণ নকৰা অৱস্থাত, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিপ্লৱ আদিয়ে ৰাজ্যপালৰ ভাষণত যেনে ধৰণে প্ৰভাৱ বিস্তাৰ কৰিব লাগে তেনে ধৰণে হোৱাত অসুবিধা হৈছে। ৰাজ্যপালৰ ভাষণত আমাৰ দেশৰ প্ৰায় বিলাক কথাই উল্লেখ কৰিছে। ৰাজ্যপালৰ ভাষণত প্ৰথম পৃষ্ঠাত লিখিছে "ফলস্বৰূপে গনতান্ত্ৰিক আৰু সমাজবাদী সমাজ গঠনৰ ভিত্তিত শক্তিশালী হৈ উঠিছে" ৰাজপালে জনসাধাৰণৰ এই মতটো সমৰ্থন কৰিছে। শেষত আৰু এটা কথা উল্লেখ কৰিছে যে "অলপতে দায়িত্ব গ্ৰহণ কৰা মোৰ চৰকাৰে ৰাজ্যখনৰ ভবিষ্যত গঢ়ি তোলাৰ এই গুৰুত্বপূৰ্ণ দায়িত্ব জৰুৰী ভাৱে আৰু ঐকান্তিক ভাৱে বহন কৰিবলৈ প্ৰচেষ্টা চলাব" ৰাজ্যপাল ডাঙৰীয়াই বৰ্তমান আমাৰ জনসাধাৰণৰ যি ভাৱমুত্তি সেই ভাৱমুৰ্ত্তিৰ সামান্য ইঙ্গিত দিছে। এতিয়া এই বিধান সভা কক্ষতে সকলো সদস্য আৰু চৰকাৰৰ ওপৰত এটা মহান দায়িত্ব আহি পৰিছে। আজি আমি এটা কথা মনত ৰখা উচিত যে আমি গণতান্ত্ৰিক দেশৰ প্ৰতিনিধি। এই প্ৰতিনিধি হিচাবে আজি যি দায়িত্ব আমাৰ ওপৰত আহি পৰিছে, আমি ৰাইজক প্ৰতিনিধিত্ব কৰিবলৈ যি অধিকাৰ পাইছো, সেই অধিকাৰৰ দ্বাৰা আমি চৰকাৰ গঠন কৰিবলৈ সুবিধা পাইছো, এই বিষয়ে আমি দকৈ ভাবি চোৱা উচিত। এই দায়িত্ব আমি কি ধৰণেৰে পালন কৰিব লাগিব এইটো প্ৰথমতেই ভবা উচিত। মই বৰ সুখী হৈছো যে আমাৰ এই সদনলৈ নতুনকৈ অহা প্ৰতিনিধি সকলে কৃষক শ্ৰেণীৰ সমস্যাৰ কথা উদ্যোগীকৰণৰ কথা, নিবনুৱা সমস্যা সমাধানৰ কথা আৰু আমাৰ ৰাজ্যৰ পিচপৰা অৱস্থাৰ উন্নতি সাধনৰ কথাত গুৰুত্ব দিছে। এই গুৰুত্ব যাতে কাৰ্যত ৰূপায়ীত কৰিবৰ কাৰণে সকলো মাননীয় সদস্যই আৰু চৰকাৰে মনোযোগ দিয়ে এয়ে মোৰ বিনীত অনুৰোধ। সকলোৱেই আজি কৈছে এখন গণতান্ত্ৰীক সমাজ প্ৰতিস্থা কৰিম। যিখন সমাজত বিশেষকৈ ধনী আৰু দুখীয়াৰ পাথক্য নাইকীয়া হৈ যাব। মহাত্মাগান্ধীৰ এটা বাণী আছিল যে, "শ্ৰেণী হীন বৰ্ণহীন সমাজ প্ৰতিস্থা কৰা"। অলপতে যি বৈল্পবীক নিৰ্বাচন হৈ গল সেই নিৰ্বাচনৰ পৰিপেক্ষিতত প্ৰত্যেক ৰাজ্যই নতুন চৰকাৰ গঠন কৰাৰ অধিকাৰ

পোৱাৰ লগতে অসম চৰকাৰেও নতুন চৰকাৰ গঠন কৰিবলৈ পাইছে। গতিকে আজি আমাৰ সন্মুখত যি দায়িত্ব আৰু কৰ্ত্তব্য আহি পৰিছে সেই দায়িত্ব আৰু কৰ্ত্তব্য ক্ৰুটী নকৰিবৰ কাৰণে মই মাননীয় সদস্য সকলক আৰু চৰকাৰক আহবান কৰিছো।

আজি এটা কথা উল্লেখ কৰা হৈছে যে আমাৰ দেশৰ শতকৰা ৯৫ জন লোক গাৱত থাকে আৰু শতকৰা ৮০ জনেই খেতিয়ক। এই শতকৰা ৮০ জন খেতিয়কে যেতিয়ালৈকে গণতান্ত্ৰীক অধিকাৰৰ পৰা বঞ্চিত হৈ থাকিব তেতিয়ালৈকে আমাৰ দেশৰ স্বাধীনতা মুল্যহীন হৈ থাকিব। আজি আমাৰ দেশৰ তথা আমাৰ ৰাজ্যৰ যিটো পৰিকল্পনা, সেই পৰিকল্পনা গণতান্ত্ৰীক সমাজতান্ত্ৰীক উন্নয়ন মুখী ব্যৱহাৰত পৰিণত কৰিব লাগে। কেৱল বক্তৃতাৰ দ্বাৰা সমাজবাদ প্ৰতিষ্ঠা কৰাটো সম্ভৱ নহয়। গাৱত থকা শতকৰা ৯৫ জন লোক আৰু শতকৰা ৮০ জন খেতিয়কৰ উপকাৰৰ কাৰণে পৰিকল্পনা কৰিব লাগিব। গণতান্ত্ৰীক দেশত আমাৰ এই মানুহ খিনিৰ যি অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজবাদিক কতৃত্ব সেই কতৃত্ব আমাৰ এই মানুহখিনিক দিব লাগিব। যদি আমি তাকে নকৰো তেনেহলে এই মানুহখিনিৰ কাৰণে অন্যায় অবিচাৰ কৰা হব। আমি যিখিনি মানুহৰ পৰা নেতৃত্ব কৰাৰ অধিকাৰ পাইছো সেই মানুহ খিনিৰ কাৰণে যোৱা ২৫ বছৰে কি কৰিলোঁ? তেওঁলোকৰ যি খিনি গণতান্ত্ৰীক অধিকাৰ আছিল সেই অধিকাৰৰ পৰা তেওঁলোকক বঞ্চিত কৰি আহিছো। আমাৰ বাজেটৰ যি পুজি সেই পুজিৰ বাৰ্ষিক আৰু বাৰ্ষিক পৰিকল্পনাত যি ব্যয় কৰা হব, তাৰ অন্তত: শতকৰা ৬০ ভাগ এই গাৱলীয়া মানুহ খিনিৰ প্ৰকৃত উন্নয়নৰ কাৰণে খৰচ কৰিব লাগিব। যদি তাকে কৰা নহয় আমাৰ সমাজবাদৰ যি ধ্বনী সি ভুৱাত পৰিগনিত হব।

(Bell Ring)

অধ্যক্ষ মহোদয়, মোক অলপ সময় দিলে বৰ সুখী হম।

অধ্যক্ষ মহোদয়, আজি গণতন্ত্ৰত গনতান্ত্ৰীক সমাজবাদ প্ৰতিষ্ঠা কৰাটো একমাত্ৰ ব্যৱস্থা বুলি মই গন্য কৰো। তাৰ যিটো অৰ্থনৈতিক গোট আৰু পৰিকল্পনা তাৰ প্ৰকৃত প্ৰতিচবি স্পষ্ট ভাৱে প্ৰতিফলিত হৈ উঠিব লাগিব।

**Mr. Speaker** : আপুনি শেষ কৰক, আৰু বহুত অন্যান্য সদস্যই কবলগীয়া আছে।

**Shri Lila Kanta Das** : অধ্যক্ষ মহোদয়, মই এই অধিবেশনত বেচি কথা কোৱা নাই সেই কাৰণেই মোক কিছু সময় দিয়ক।

সেই কাৰণেই মই কব খুজিছো আজি আমাৰ সন্মুখত এটা প্ৰশ্ন উঠিব পাৰে ; সেই প্ৰশ্নটো হৈছে পুঁজি। আমাৰ ৰাইজৰ কাম কৰিবলৈ হলে আমাক লাগে এটা শকত পুজি। কিন্তু আজি সেই পুঁজি কত পাম ? এইটো এটা আমাৰ কাৰণে ডাঙৰ প্ৰশ্ন। আজি সকলোৰে উন্নতি কৰিবলৈ হলে আমাক লাগিব শকত পুজিৰ ব্যৱস্থা। আজি আমাৰ দেশত একশ্ৰেণীৰ বুদ্ধিজীবি মানুহ আছে, যি সকলো সুযোগ সুবিধা চৰকাৰৰ পৰা আদায় কৰি লৈছে। কিন্তু যি বিলাক দুখীয়া শ্ৰেণীৰ মানুহ, যি বিলাক কৃষক, বনুৱা অশিক্ষিত লোক আছে, তেওঁলোকৰ দাবী পুৰণৰ কাৰণে কোনেও বিচাৰ কৰা নাই। তেওঁলোকৰ কাৰণে গণতান্ত্ৰীক ব্যৱস্থা কতো নাই। আৰ্থিক অনাতনো হয়তো এখন দেশৰ স্বাভাৱিক গতি হব পাৰে ; আমাৰ দেশো তাৰ পৰা ব্যক্তিক্ৰৰ নহব পাৰে। তথাপি আমাৰ দেশত যথেষ্ট সম্বল আছে মোৰ অভিজ্ঞতাৰ পৰা কব খুজিছো যে আমাৰ দেশৰ যি পৰিস্থিতি, যি আৰ্থিক অৱস্থা তালৈ লক্ষ্য ৰাখি আমাৰ দেশৰ প্ৰকৃত আৱহাৱাৰ মাজত পৰিকল্পনা যুগুত হব লাগিব।

( Bell Ring. )

অধ্যক্ষ মহোদয়, আমাৰ দেশত যি বিলাক বিভিন্ন শিল্প সম্পদ ব্যক্তিগত মানুহৰ হাতত আছে, সেই সকলো বিলাক ৰাজহুৱা সম্পদত পৰিনত কৰিব লাগিব। ৰাজ্যৰ সকলো শিল্প উদ্যোগ ৰাজহুৱা উদ্যোগত পৰিণত কৰি ৰাজ্যৰ আৰ্থিক শক্তি বৃদ্ধি কৰিব লাগিব।

( স্পীকাৰে ঘনাই ঘনাই বেল বজায় )

তাকে কৰিব নোৱাৰিলে গণতান্ত্ৰীক সমাজবাদ প্ৰতিষ্ঠা কেতিয়াও হব নোৱাৰে। অধ্যক্ষ মহোদয়, অলপ সময় দিয়ক।

আজি এটা কথা বিশেষ ভাৱে আলোচিত হৈছে। সেইটো হৈছে আমাৰ দেশৰ পৰা দুনীতি দুৰ কৰা আজি আমাৰ প্ৰত্যেক জন মানুহেই কৈ আছে

যে দুনীতিকাৰীসকলে দুনীতি চলাইয়েই আছে। কিন্তু দুনীতি নিবাৰণ কৰাৰ প্ৰতি আমি কোনেও মনোযোগ দিয়া নাই। এই দুনীতিয়ে আমাৰ গোটেই সমাজৰ মযাদা নষ্ট কৰিছে। মই কওঁ এই দুনীতিকাৰী সকলক দেশদ্ৰোহী বা ৰাষ্ট্ৰদ্ৰোহী বুলি ঘোষনা কৰি কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

আৰু এটা কথা হৈছে আমাৰ মুল্য নিদ্ধাৰণ। এই মুল নিদ্ধাৰন এটা গুৰুত্বপুৰ্ণ বিষয়। আজি আমি মুল্য নিদ্ধাৰণৰ কথা যিমানেই কৈছো সিমানেই মূল্য বাঢ়িছে গৈছে। জনসাধাৰনৰ ওপৰত টেক্সৰ বোজা বেচি হৈ গৈছে। এই মূল্য নিদ্ধাৰনৰ বিষয়টোৰ ওপৰত আমি কোনেও বিশেষ গুৰুত্ব দিয়া নাই। মূল্য নিদ্ধাৰনৰ মূল কথাটো হৈছে আমাৰ দেশৰ উৎপাদিত শিল্পজাত আৰু কৃষি-জাত বস্তুৰ মূল্যৰ কোনো সমতা ৰক্ষা কৰাৰ ব্যৱস্থা কৰা নাই। আমেৰিকা জাপান আদি দেশত এই দুয়োবিধ মুল্য সমতা ৰক্ষা কৰি অহা হেতু সেই দেশৰ প্ৰগতি ক্ষিপ্ৰ।

Mr Speaker : আপুনি বহক (ঘনাই বেল বজায়)

Shri Dulal Chandra Barua : অধ্যক্ষ মহোদয়, এতিয়া দেখা গৈছে মাত্ৰ ২ জনহে বাকী আছে। কথা হয়তো বহুতো কবলগীয়া আছে-গতিকে মই ভাবো এতিয়া আৰু বহাৰ কোনো অসুবিধা নাই নহলে বা ex-precedence য়ো আছে কাইলৈকে ১১½ বজাত সদন বন্ধ হৈ যাব গতিকে আবেলি ৩ বজাৰ পৰা ৫ বজালৈ বহাব পাৰে।

Mr Speaker : If the house agree to sit tomorrow at 3-5 that can be done.

Shri Biswanath Upadhaya : Many persons are yet to speak and therefore we can sit tomorrow.

Shri Dulal Chandra Barua : কালিলৈ ১১½ টাত prayer বোৰ হব, গতিকে ৩ বজাৰ পৰা ৫ বজালৈ সদন বহিব পাৰে।

Shri Md. Idris (Minister Industry) : Some of the members have got their engagements.

Shri Biswanath Upadhaya : Let us sit on 8th.

Voices : ( No, no )

Mr. Speaker : Does the House agree to sit tomorrow from 3 to 5. (Voices, Yes, yes) Than I close the debate on Governor Address now. Now, Mr. Nandi will speak. You are given 5 minutes.

Shri Suranjan Nandi : No Sir, I cannot finish within 5 minutes.

Mr. Speaker : Then you are allotted 7 minutes.

Shri Suranjan Nandi : Mr. Speaker Sir, (Voices : He shou speak in Bengali in Kachari Language) my friends a whispering that I should speak in Bengali language. Ther fore I would like to speak in Bengali. ........ মাননীয় অধ্য মহাশয় সুদীর্ঘ প্রতীক্ষার পর এই বিধান সভায় নির্ব্বাচিত হয়ে এসেি কাছাড়ের জনগনের অভাব অভিযোগের কথা বলবার জন্য।

Shri Giasuddin Ahmed : Mr. Speaker, Sir, a point of order. We requested him to speak in Kachari Language but he has started speaking in Bengali.

Shri Suranjan Nandi : The people of Cachar Speak in Bengali. অধ্যক্ষ মহোদয়, আমার বক্তব্য হলো যে, রাজ্যপাল মহোদয় যে ভাষন দিয়েছেন, আমি তা পূর্ণ সমর্থন করি। বিশেষ ভাবে সমর্থন করি এজন্য যে রাজ্যপাল মহোদয় বলেছেন,- "The hon. Members of this House will have to play a vital role in serving and guiding the destiny of our people.

সদস্য হিসাবে আমাদের দায়িত্ব এবং কর্ত্তব্য সম্বন্ধে আমরা সজাগ। তাছাড়া জনসাধারনের অভিযোগ ও অনুযোগ এবং অভাবের প্রকৃত রূপ তুলে ধরবার জন্যই আমরা বিধান সভায় নির্ব্বাচিত হয়ে এসেছি। আমাদের কাছাড়

জেলার যে সীমাহীন সমস্যা, সেই সমস্যা কাছাড়ের জনজীবনকে বিক্ষুদ্ধও বিপন্ন করে তুলেছে। এবং কাছাড়ের জনমত বিভিন্ন সময়ে তাদের অনগ্রসর-তার জন্য বিক্ষোভ ও জানিয়েছে। এবারের নির্ব্বাচনে আমরা জনসাধারনের কাছে প্রতিশ্রুতি দিয়েছি, বলেছি তাদের দুঃখ দুর্দ্দশা গরিবা আমরা দূর করবো। সেই প্রতিশ্রুতি আমাদের রক্ষা করাও হবে। কাছাড়ের সামগ্রিক উন্নয়নের জন্য সরকারকে যথেষ্ট হাত হচি করেন। কারণ এবারের নির্ব্বাচনের সবচেয়ে বড় কথা, প্রধানমন্ত্রীর উদাও অহ্বান ও সঙ্কল্প 'আমরা গরিবী হটাব,' দেশঃথেকে অন্যায় এবং অবিচার দূরিকরব। তার পরিপ্রেক্ষিতে আমি বলব যে, কাছাড়ের ...র্ঘদিনের প্রতীক্ষিত কাছাড় মেডিকেল কলেজর কথা। কাছাড় মেডিকেল ...লজর পত্তন আজ দীর্ঘদিন ধরে হয়েছে। ঘোষনা করা হয়েছে কাছাড়ে ...edical College চল্ছে। টাকা বরাদ্দ হয়েছে, টাকা খরচ হচ্ছে। ...াই জানে কাছাড়ে Medical College চল্ছে। কিন্তু, অধ্যক্ষ মহাশয়, ...ত্যন্ত আশ্চার্য্যের কথা যে শিলচর মেডিকেল কলেজের কাজ, শিলচর সদর ...সপাতালে চলছে। ছাত্রদের সাজ-সরঞ্জাম ইত্যাদির অভাবে পড়াশুনার প্রচণ্ড ...ভাব হচ্ছে। এ এক অদ্ভুত Medical College হয়েছে। এবং তার যে শেষ কোথায় এবং ভবিষ্যাতে কি হবে আমরা কিছুই জানিনা। তাই আমি সরকারের কাছে অনুরোধ জানাছি কাছাড় মেডিকেল কলেজ সুপ্রতিস্থিত হোৱা কাজ তরান্বিত হোক। বর্ত্তমান নেতৃত্বর প্রতি আমরা অশেষ শ্রদ্ধা এবং বিশ্বাস আছে আমি বিশ্বাস করে আমরা দাবীর প্রতি সক্রিয় দৃষ্টি দেওয়া হবে। এই নির্ব্বাচনে আমরা বিরাট সংখ্যাগরিষ্ঠতা পেয়েছি, আমরা যেন তার যথা-যোগ্য মর্য্যাদা দিতে পারি। তাই সরকারকে কাছাড় Medical College এর দিকে বিশেষ দৃষ্টি দিতে অনুরোধ করি।

অধ্যক্ষ মহোদয়, আমার ২য় কথা হচ্ছে Cachar Regional Engg. College সম্বন্ধে। ঘোষনা হয়েছে যে, Cachar Regional Engg. College এর পত্তন হয়েছে। কিন্তু শুন্লে আশ্চর্য্য হবেন, যে কাছাড় Regional Engg. College এর কোন অস্তিত্বই নাই। ঘর নাই বাড়ী নাই কিছুই নাই কিন্তু তার একজন Principal আছেন আজ পাঁচ বসের যাৱা তিনি শিলং এ আছেন আর এখনে বসে বসে তিনি বেতন draw করছেন। তাই

আমি সরকারকে অনুরোধ করাই যে কাছাড়ে বিভিন্ন উন্নয়ন কল্পে যে টাকা বরাদ্দ হয়েছে তার পূর্ণ সদ্ব্যবহার হয় এবং এগুলো প্রকৃত কাজে ব্যবহৃত হয়।

সেদিন বন্ধ মাননীয় সদস্য শ্রীকবীর রায় প্রধানী বলেছেন যে কাছাড়ের P.W.D. মন্ত্রী নাকায় তিনি রাস্তাঘাটের উন্নয়নের ব্যাপারে শুধু কাছাড়ের দিকেই নজর দিয়েছেন। অবশ্য আমি জানিনা কি পর্য্যন্ত টাকা কাছাড়ের রাস্তাঘাট উন্নয়নের জন্য খরচ হয়েছে, কিন্তু কাছাড়ের রাস্তাঘাট আজ পর্য্যন্ত ৎ যাতায়াতের সম্পূর্ণ অযোগ্য। আমি যে নির্ব্বাচন চক্র ঠেকে এসোচি অর্থা "রাতাবাড়ী," মেখনিকাচ রাস্তাঘাটের দুরবস্থার জন্য আমি মুখ্যমন্ত্রী ও প্রত বিভাগের মন্ত্রীর দৃষ্টি আকর্ষন করাই। কাছাড়ের যে রাস্তা বদরপুর হে রামকৃষ্ণনগর হয়ে চুড়াইবাড়ী এসেছে এই রাস্তা অত্যন্ত গুরুত্বপূর্ণ রাস্তা, Ha Kandi-Karimgang Road এখন ও পূর্ণ সদ্ব্যবহারের উপযোগী হয় মন্ত্রীগন এবং High officials রাস্তাঘাটের অসুবিধার জন্য এদিকে চাননা এ থেকে স্পতা বুজা যায় কাছাড়ের রাস্তাঘাটের কি উন্নতি হয়ে তাই আমি পূর্ত্ত বিভাগের মন্ত্রীর কাছে অনুরোধ জানাছি যাতে তিনি সুবি করেন। তাছাড়া এতাদিন করিমগনজু মহকুমার রাস্তাঘাটর বাস্ট্রের নি পত্তার দৃষ্টিভঙ্গীরতেও একটা Stratagic Importance ছিল। আজ না বাংলাদেশ হয়েছে, কিন্তু অতীতে ও এই গুরুত্বপূর্ণ রাস্তাঘাটের কোন উন্নতি নাহওয়াব কারণ বুজতে পারিনি। পূর্ত বিভাগের মন্ত্রীর কাছে আমার বিশেষ অনুরোধ যেন পাথারকান্দি থেকে হাইলাকান্দির রাস্তা পিচ্ করার জন্যে তিনি অচিরে ব্যবস্থা অবলম্বন কয়েন।

আজ ৬ মাস যাবৎ সিমেণ্ট পাওয়া যাচ্ছেনা যার ফলে শুধু বেসরকারী কাজ নয় সরকারী কাজেরও বিশেষ ব্যাঘাত ঘট্ছে। আমি আশ্চর্য্য হই. আসামে কেন cement আসেনা ? রাজ্যে এত বিদেশী ধানর আমদানী হচ্ছে অথচ cement কেন আসেনা তার কারণ বুজিনা। তাই সরবরাহ মন্ত্রী মহাশয় কে অনুরোধ যাহাতে আসামে cement আসে তার ব্যবস্থা তিনি যেন করেণ।

অধ্যক্ষ মহাশয়, কাছাড়ের একটা আলাগা সমস্যা আছে। জিনিছ পত্র পরিবহনের ব্যাপারে শুধুমাত্র পাহাড় লাইন (Railway) এর ওপর নির্ভর করা

যায়না, তাই আমি সরবরাহ মন্ত্রী মহোদয়কে অনুরোধ করবো যে, তিনি যেন নিত্য প্রয়োজনীয় কাছাড়ে একটা Buffer Stock এর ব্যবস্থা করেন, কারন বর্ষাকালে কাছার আসাম থেকে প্রায়ই সম্পূর্ণ বিছিন্ন হয়ে যায়। তখন যেন কাছাড়ের লোকের জিনিষ পত্রের কোন অসুবিধা না হয়।

স্যার, দূনীতি সম্বন্ধে আর কি বলব ! আজ ক'দিন ধরে দূনীতি সম্বন্ধে অনেক কথা শুনলাম, কিন্তু কোন Specific Corruption charge এর কথা শুনলাম না, সকলের সঙ্গে আমিও একমত যে, দূর্নীতি থেকে প্রশাসনকে মুক্ত করা হোক সে জন্য আমি এই বিষয়ে একটা কথা বলে মাননীয় মুখ্যমন্ত্রীও ত্রান বিভাগের মন্ত্রী মহোদয়ের দৃষ্টি আর্কষন করছি। স্যার বিগত ১৮ তারিখে, বিধান সভার অধিবেশনে যোগদান করার আগে আমরা কাছাড়ের তিনজন M.L.A করিমগঞ্জ মহকুমার বাংলাদেশ শরণার্থীদের যে Paymet দেয়ার কথা ছিল তা বন্ধ করার জন্য Telegram করেছিলাম। এতে মাননীয় সদস্য আব্দুল জলীল চৌধুরী অনুপস্থিত থাকায় তিনি ছাড়া, আমরে, শ্রীসুদর্শন দাস ও মক্তদীর চৌধুরীর নাম ছিল। কিন্তু আশ্চর্য্যের বিষয়, এখানে এসে দেখি, আমাদের Telegram উপেক্ষা করে Payment দেওয়া অব্যাহত আছে। পরে বিভাগীয় চেক্রেটারী আমাদের এ ব্যপারে দেনা করতে বললে আমরা তা করার প্রয়োজন মনে করিনি কারণ তখন ও Payment চলছে, আমি বুঝতে, পারিনা কেন আমাদের Telegram পেয়ে এই Payment বন্ধ করা হয়নি। ব্যাপারটার রহস্য কেউ বুঝতে চাইলেন না। যাই হোক, আমি মুখ্যমন্ত্রী ও ত্রানমন্ত্রী মহোদয়কে এই ব্যাপারে তদন্ত করিতে অনুরোধ করি। আমার নির্ব্বাচন চক্রে চর গোলায় প্রায় ১৮ লক্ষ টাকা খরচ করে যে ক্যাম্প করা হয়েছিল এবং আচর্য্যের ব্যাপার ক'দিন আগে রহস্যজনক ভাবে এই ক্যাম্পটি পুড়ে একেবারে ছাই হয়ে গেল। এর কি রহস্য তদন্ত করা হোক। তদন্ত হোক ক্যাম্পটি পুড়ে যাবার পর স্থানীয় প্রশাসন কি করেছেন ?

অধ্যক্ষ মহোদয়, আমি আর বেশী বলবনা, আমার অনেক কিছু বলার ছিল। যাই হোক আমার বন্ধু রাষ্ট্রমন্ত্রী Mr. Saikia সরকারী চাকরীর ক্ষেত্রে

বয়োঃসীমা বৃদ্ধির যে প্রস্তাব এনেছেন, তাছাড়া চাকুরীর দরখাস্ত দিতে যে ট্রেজারী চালান উঠিয়ে দেবার প্রস্তাব নিয়েছেন তাকে আমি সমর্থন জানাই।

Mr. Speaker : I gave you 7 minutes and you have taken 17 minutes.

## ADJOURNMENT

The Assembly then adjourned till 9 A. M. on Friday the 7th April 1972.

U. Tahbildar
Secretary,
Legislative Assembly, Assam.

Shillong
The 6th April. 1972